DAILY ASSAM

# বিষয়বস্তু ১

# ইটা, মণি আৰু হাড়বোৰ

## হৰপ্পাৰ সভ্যতা

হৰপ্পা তথা সিন্ধু উপত্যকাত আৱিস্কৃত হস্তনির্মিত দৈন্দিন জীৱনত ব্যৱহৃত সা-সঁজুলিসমূহৰ ভিতৰত চিলমোহৰসমূহে এক বিশিষ্ট স্থান অধিকাৰ কৰিছে। কিন্তু, 'ষ্টিয়েটাইট' তথা চাবোন শিলেৰে (চাবোনৰ দৰে তেলতেলীয়া স্পৰ্শানুভূতি জগোৱা কোমল শিল বিশেষ) নির্মিত এই চিলমোহৰবোৰত জীৱ-জন্তু আৰু বৰ্ণমালাৰ সংকেত পোৱা গৈছে যদিও আজিলৈকে এই সাংকেতিক লিপিৰ পাঠোদ্ধাৰ হোৱা নাই। অৱশে, এই স্থানৰ অধিবাসীসকলে যিবো পুৰাতাত্ত্বিক সাক্ষ্য, যেনে— ঘৰ-বাৰী, পাত্ৰ, আ-অলংকাৰ, হস্তনির্মিত সা-সঁজুলি (যেনে— দা, কটাৰী, ঘটি-বাতি আদি) এৰি থৈ গৈছে, সেইবোৰৰ পৰা আমি তেওঁলোকৰ জীৱনধাৰাৰ বিষয়ে ভালেমান সন্ধেদ পাইছোহঁক। এতিয়া হৰপ্পাৰ সভ্যতা বুলিলে আমি কি বুজো আৰু কেনেকৈ এই বিষয়ে আমি জানিবলৈ সক্ষম হৈছো, সেইটো নিৰীক্ষণ কৰো আহা। পুৰাতাত্ত্বিক সমলসমূহৰ পৰা কেনেকৈ পাঠোদ্ধাৰ কৰা হয় আৰু কেতিয়াবা, কেনেদৰে আৱিস্কৃত সমলৰ সংকেত, অৰ্থ, তাৎপৰ্য আৰু ব্যাখ্যাৰো সাল-সলনি ঘটে, সেই বিষয়েও আমি পুঙ্খানুপুঙ্খভাৱে অধ্যয়ন কৰিম। অৱশ্যে, সভ্যতাৰ এনে কেতবোৰ দিশ আছে, যিবোৰ এতিয়াও আমাৰ অজ্ঞাত আৰু সম্ভৱতঃ এইবোৰ তেনেদৰেই ৰ'ব।



*নক্সা ১.১*
*হৰপ্পাৰ চিল-মোহৰ*




### সংজ্ঞা, স্থান, কাল

সিন্ধু সভ্যতাক হৰপ্পীয় সভ্যতা বোলাও হয়। সাধাৰণতে এক নির্দিষ্ট ভৌগোলিক পৰিসীমা আৰু স্থিতিকালৰ অন্তৰ্গত বিশেষ শৈলীৰ কিছুমান সমষ্টিগত বস্তুৰ ক্ষেত্ৰত পুৰাতত্ত্ববিদসকলে 'সংস্কৃতি' শব্দটো ব্যৱহাৰ কৰে। হৰপ্পীয় সংস্কৃতিৰ ক্ষেত্ৰত চিলমোহৰ, মণি, বয়বস্তু জোখা ওজন, শিলৰ তৰোৱাল আৰু আনকি জুইন সেকা ইটাও এনে বিশিষ্ট বস্তুৰ ভিতৰত পৰে (নক্সা ১.২), বহু দূৰ-দূৰণিলৈ বিস্তৃত আফগানিস্তান, জম্মু, বেলুচিস্তান (পাকিস্তান) আৰু গুজৰাটত এনেবোৰ বস্তু দেখিবলৈ পোৱা যায়। (মানচিত্ৰ ১)

এই অন্যান্য সংস্কৃতিৰ নিদৰ্শনসমূহ পোন প্ৰথমে হৰপ্পাত আৱিস্কৃত হোৱাৰ বাবে ইয়াক হৰপ্পাৰ সভ্যতা বুলি অভিহিত কৰা হয়। এই সভ্যতাৰ স্থিতিকাল আছিল আনুমানিক ২৬০০ৰ পৰা ১৯০০ খ্ৰীষ্টপূৰ্বৰ (BCE) ভিতৰত। একে স্থানতে এটা প্ৰাচীন আৰু পৰৱৰ্তী সংস্কৃতিয়ে গঢ় লৈ উঠিছিল বাবে ইয়াক প্ৰাচীন আৰু পৰৱৰ্তী— এই দুই ভাগত ভাগ কৰা হৈছে। এই সংস্কৃতিসমূহতকৈ হৰপ্পা সভ্যতাৰ পাৰ্থক্য বুজাবলৈ কোনো কোনো ক্ষেত্ৰত 'পূৰঠ বা পৰিপক্ক হৰপ্পা সংস্কৃতি' নামৰ সংজ্ঞাটোও ব্যৱহাৰ কৰা হয়।

নক্সা ১.২
মণি, ওজন, তৰোৱাল




মানচিত্ৰ ১
পূৰঠ হৰপ্পীয় সভ্যতাৰ কিছুমান লেখত ল'বলগীয়া স্থান

পুথিখনৰ স্থিতিকাল সংক্ষিপ্তকৰণৰ বাবে কোনো কোনো ঠাইত নিম্নোলেখিত ইংৰাজী শব্দবোৰ ব্যৱহৃত হৈছে। যেনে—
BP- Before Present– বৰ্তমানৰ পূৰ্বে
BCE- Before Common Era– সাধাৰণ যুগৰ পূৰ্বে
CE- Common Era– সাধাৰণ যুগ অৰ্থাৎ, এইমতে বৰ্তমানৰ বছৰটো ২০১১
C- Circa– (লেটিন শব্দ) আৰু ইয়াৰ অৰ্থ হ'ল আনুমানিক তথা প্ৰায়

## ১. প্ৰাৰম্ভিক অৱস্থা

পূৰঠ হৰপ্পাৰ অৱস্থিতিৰ পূৰ্বৰে পৰা সেই স্থানত ভালেমান পুৰাতাত্ত্বিক সংস্কৃতি বিৰাজ কৰিছিল। কিছুমা বৈশিষ্ট্যসূচক পাত্ৰ, কাৰু শিল্প, খেতি-বাতি আৰু পশু পালনৰ বৃত্তিৰ নিদৰ্শন এই সংস্কৃতিৰ সৈতে জড়িত আছিল। ইয়াৰ বসতিসমূহ আছিল ক্ষুদ্ৰ পৰিসৰৰ আৰু সেই ঠাইত কাৰ্যতঃ কোনো অট্টালিকা নাছিল। কিছুমান লোকালয়ৰ ভয়াবহভাৱে অগ্নিদগ্ধ অৱস্থা আৰু এৰাবাৰীসমূহৰ অৱস্থিতিয়ে পূৰঠ হৰপ্পীয় আৰু পৰৱৰ্তী হৰপ্পীয় সভ্যতাৰ মাজত যে এটা বিৰতি আছিল সেইটোকে সূচায়।

### প্ৰাচীন আৰু পূৰঠ হৰপ্পীয় সংস্কৃতি

সিন্ধু আৰু চোলিস্তান (পাকিস্তানৰ থৰমৰুভূমিৰ সীমামূৰীয়া অঞ্চল)ৰ লোকালয়সমূহৰ বিষয়ে জানিবলৈ নিম্নোলেখিত সংখ্যাবোৰলৈ দৃষ্টিপাত কৰা।


| | সিন্ধু | চোলিস্তান |
|---|---|---|
| লোকালয়সমূহৰ মুঠ সংখ্যা | ১০৬ | ২৩৯ |
| প্ৰচীন হৰপ্পাৰ স্থান | ৫২ | ৩৭ |
| নতুন স্থানত অৱস্থিত পূৰঠ হৰপ্পাৰ স্থান | ৪৩ | ১৩২ |
| প্ৰাচীন হৰপ্পাৰ পৰিত্যক্ত স্থান | ২৯ | ৩৩ |

## ২. জীৱন নিৰ্বাহৰ কৌশলসমূহ

১ আৰু ২ নম্বৰৰ মানচিত্ৰলৈ মন কৰিলে দেখিবা যে, প্ৰাচীন সংস্কৃতিৰ অন্তৰ্গত কিছুমান স্থানতেই পূৰঠ হৰপ্পা সংস্কৃতিয়ে ক্ৰমাৎ অগ্ৰগতি লাভ কৰিছিল। জীৱন নিৰ্বাহৰ কৌশল আৰু সাধাৰণ বিষয়সমূহতো উভয় সংস্কৃতি আছিল সমভাগী। তেওঁলোকে বহু প্ৰকাৰৰ উদ্ভিদজাত খাদ্য আৰু মাছকে ধৰি ভালেমান প্ৰাণীজ খাদ্য ভক্ষণ কৰিছিল। সেই স্থানসমূহত প্ৰাপ্ত পুৰি ছাই হৈ যোৱা শস্য আৰু শস্য বীজসমূংহ নিৰীক্ষণ কৰি পুৰাতত্ত্ববিদসকলে এই লোকসকলৰ খাদ্যাভ্যাস সম্বন্ধে এটা নিৰ্দিষ্ট ৰূপ দিবলৈকো সক্ষম হৈছে। পুৰাতাত্ত্বিক উদ্ভিদ বিজ্ঞানী তথা প্ৰাচীন উদ্ভিদৰ অৱশিষ্টসমূহ অধ্যয়নকাৰী বিশেষজ্ঞসকলেও এনে ধৰণৰ শস্যবোৰ পৰীক্ষা-নিৰীক্ষা কৰি চাইছে। হৰপ্পা অঞ্চলত প্ৰাপ্ত শস্যসমূহৰ

ভিতৰত প্ৰধানকৈ গম, বালি, মাটিমাহ, তিল আৰু দাইলজাতীয় শস্য দানাসমূহেই প্ৰধান। গুজৰাট অঞ্চলত বজৰা তথা কণী ধানো দৃষ্টিগোচৰ হৈছে।

হৰপ্পাত গৰু, ভেড়া, ছাগলী, ম'হ, গাহৰী আদি জীৱজন্তুৰ জকা পোৱা গৈছে। পুৰাতাত্ত্বিক-জীৱবিজ্ঞানী আৰু পশু-পক্ষীৰ উদ্যান তথা চিৰিয়াখানাৰ পুৰাতত্ত্ববিদসকলে গৱেষণা কৰি এইবোৰ ঘৰচীয়া বুলি অভিমত দিছে। ভালুক, হৰিণা, ঘঁৰিয়ালকে ধৰি বিশেষ প্ৰজাতিৰ জঁকাও এই স্থানত আৱিস্কৃত হৈছে। হৰপ্পীয় লোকসকলে এই জীৱজন্তুবোৰ নিজে চিকাৰ কৰিছিল নে অন্যান্য চিকাৰীগোষ্ঠীৰ পৰা এইবোৰ মাংস সংগ্ৰহ কৰিছিল জনা নাযায়। তদুপৰি হৰপ্পাত সংগৃহীত মাছ আৰু কুকুৰাজাতীয় বনৰীয়া চৰাইৰ হাড়বোৰেও সকলোৰে সৃষ্টি আকৰ্ষণ কৰিছে।




*মানচিত্ৰ ২*
*পুৰণি হৰপ্পীয় সভ্যতাৰ অন্তৰ্গত স্থানসমূহ*

## ২.১ কৃষিভিত্তিক প্ৰযুক্তিবিদ্যা

শস্যবীজসমূহৰ আৱিস্কাৰে হৰপ্পাত খেতি-বাতিৰ প্ৰচলনৰ ইঙ্গিত বহন কৰিলেও প্ৰকৃতপক্ষে ইয়াৰ কৃষকসকলে কি পদ্ধতিৰে খেতি কৰিছিল সেই বিষয়ে এটা সম্যক আভাস দাঙি ধৰাটো উজু নহয়। চহোৱা মাটিৰ চৌদিশে শস্যবীজসমূহ ছটিয়াই দিয়া হৈছিল নেকি বাৰু? এনেধৰণৰ প্ৰশ্নবোৰে সততে মনত খুদুৱনি তোলে। চিলমোহৰ আৰু পোৱা মাটিৰ ভাস্কৰ্যৰ চিত্ৰসমূহে সেই স্থানত ষাঁড়গৰু থকাৰ ইঙ্গিত দিছে আৰু এই জ্ঞাত তথ্যটোৰ ওপৰত ভিত্তি কৰি পুৰাতত্ত্ববিদসকলে এটা অজ্ঞাত তথ্যৰ যোগান ধৰি কৈছে যে, সঁচাকৈয়ে গৰুৰ দ্বাৰা মাটি চহ কৰা হৈছিল। তদুপৰি হাৰিয়ানা বনৱালি আৰু চোলিস্তানত পোৱা মাটিৰে সঁজা নাঙলৰ নক্সাও পোৱা গৈছে। ইতিমধ্যে, পুৰাতত্ত্ববিদসকলে প্ৰাচীন হৰপ্পীয় সভ্যতাৰ সৈতে জড়িত ৰাজস্থানৰ কালিবাঙ্গনতো এটুকুৰা চহোৱা মাটিৰ অৱস্থিতি সম্বন্ধে নিশ্চিত হ'ব পাৰিছে। এই স্থানত সঠিকভাৱে কোনাকুনিকৈ থকা দুডৰা ৰূপিত মাটিয়ে একেলগে দুবিধ শস্য ৰোপণ কৰাটোকে সূচাইছে।

*নক্সা ১.৩*
*পোৱা মাটিৰ ষাঁড়গৰু*



পুৰাতত্ত্ববিদসকলে খেতি চপোৱাৰ সময়ত ব্যৱহাৰ কৰা সা-সঁজুলিবোৰ চিনাক্তকৰণৰ বাবেও প্ৰচেষ্টা চলাইছে। এইক্ষেত্ৰত হৰপ্পাৰ লোকে কাঠৰ নাল লগোৱা শিলৰ দা-জাতীয় সঁজুলি ব্যৱহাৰ কৰিছিল নে ধাতুৰ দ্বাৰা প্ৰস্তুত সঁজুলিহে ব্যৱহাৰ কৰিছিল ?

হৰপ্পাৰ অধিক সংখ্যক ঠাই অৰ্ধ অনুৰ্বৰ ভূমিত অৱস্থিত হোৱা হেতুকে খেতিৰ বাবে নিশ্চয় পথাৰত পানী যোগানৰ আৱশ্যকতাই দেখা দিছিল। হৰপ্পীয় সভ্যতাৰ অন্তৰ্গত আফগানিস্তানৰ চৰ্তুঘাই নামৰ ঠাইত জলসিঞ্চনৰ বাবে খন্দা নলা পোৱা গৈছে। কিন্তু পাঞ্জাব আৰু সিন্ধুত এনে নলা দেখা নাযায়। সম্ভৱতঃ পুৰণি নলাবোৰ বহুদিন আগেয়ে পলস পৰি ঢাক খাই গৈছে। তদুপৰি, তেওঁলোকে

**আলোচনা কৰা...**
১ আৰু ২ নম্বৰৰ মানচিত্ৰৰ লোকালয়সমূহৰ বণ্টনত কোনো সংগতি বা বিসংগতি আছেনে?

কুঁৱাৰ পানীৰেও খেতিপথাৰত পানী যোগান ধৰিব পাৰে। ইয়াৰ বাহিৰে গুজৰাটৰ ধোলাভিৰাত দৃষ্টিগোচৰ হোৱা জলাশয় বা খালবোৰ খেতিপথাৰত যোগাবলৈ পানী জমা কৰাৰ বাবে কান্দিছিল যেন লাগে।



*নক্সা ১.৪*
*তামৰ সঁজুলি*

➲ খেতি চপোৱাৰ বাবে এনে সঁজুলিবোৰ ব্যৱহৃত হৈছিল বুলি তুমি ভাবানে?

উৎস ১

## দৈনন্দিন জীৱনত ব্যৱহৃত হস্তনিৰ্মিত সা-সঁজুলিবোৰ কিদৰে চিনাক্ত কৰা হয়

খাদ্য প্ৰস্তুতকৰণ প্ৰণালীৰ প্ৰাথমিক কাৰ্যবিধিৰ বাবে খুন্দনা তথা গুৰি কথা সঁজুলিৰ লগতে বাৰে-মিহলি সংমিশ্ৰণ, মিশ্ৰিতকৰণ আৰু ৰন্ধনৰ বাবে পাত্ৰৰ প্ৰয়োজন। হৰপ্পাত শিল, ধাতু আৰু পোৱা মাটিৰে এনে সঁজুলি আৰু পাত্ৰ সজা হৈছিল। এই সংক্ৰান্তত হৰপ্পীয় সভ্যতাৰ আটাইতকৈ জনা-শুনা ঠাই মহেনজোদাৰোত সংঘটিত খনন কাৰ্য সম্বন্ধীয় এক বিৱৰণীৰ উদ্ধৃতি তলত সন্নিৱিষ্ট কৰা হৈছে—

...বহু সংখ্যক জাঁতৰ আৱিস্কাৰে এইটোৱেই সূচায় যে বীজ শ্য গুৰি কৰিবলৈ এইবিধেই আছিল একমাত্ৰ সঁজুলি। নিয়মানুসৰি এইবোৰ নিৰ্মিত হৈছিল কঠিন, অমসৃন আগ্নেয় শিল (জুই তেলত তলত গলিত লাভা গোট মাৰি হোৱা শিল) বা জলীয় শিলৰ দ্বাৰা। জাঁতবোৰ সজোৰে আৰু ৰূঢ়ভাৱে ব্যৱহৃত হোৱাৰ স্পষ্ট ইঙ্গিত পোৱা গৈছিল। সাধাৰণতে, জাঁতবোৰ দুৰাপিঠীয়া হোৱা বাবে ইয়াৰ হেন্দোলনি বন্ধ কৰিবলৈ নিশ্চয় মাটি বা বোকাত ইয়াক দৃঢ়ভাৱে স্থাপন কৰি লোৱা হৈছিল। জাঁতবোৰ আছিল প্ৰধানতঃ দুই প্ৰকাৰৰ— কিছুমানত আন এটা ক্ষুদ্ৰাকৃতিৰ শিল অগা-পিছাকৈ থেলি আৰু বগৰাই বগৰাই বস্তু পিহাৰ হৈছিল আৰু আনটো ক্ষেত্ৰত বস্তু থেতেলা বা গুৰি কৰিবলৈ দ্বিতীয় এটা শিল ব্যৱহাৰ কৰিছিল। ইয়াৰ ফলত জাঁতৰ নিম্ন ভাগৰ ভূ-পৃষ্ঠত সৃষ্টি হৈছিল এটা ডাঙৰ গাঁত। প্ৰথমবিধ জাঁত সম্ভৱতঃ কেবল বীজশস্যৰ বাবে ব্যৱহৃত হৈছিল আৰু দ্বিতীয় বিধৰ ব্যৱহাৰ আছিল বনৌষধি বা শাক-পাত থেতালিবলৈ বা ৰন্ধা-বঢ়াৰ বাবে মচলা আদি পিহাতেই সীমাবদ্ধ। দৰাচলতে, দ্বিতীয়বিধ জাঁতত ব্যৱহাৰ কৰা শিল টুকুৰাক আমাৰ বনুৱাসকলে 'আঞ্জাৰ মচলা গুড়ি কৰা শিল' নাম দিছিল আৰু ৰান্ধনিয়ে ইয়াক যাদুঘৰৰ পৰা ধাৰে নি ৰান্ধনি ঘৰত ব্যৱহাৰ কৰিবলৈ কুতুৰিছিলহি।


*আৰ্নেষ্ট মেকিৰ 'Farther excavations at Mohengodaro' ('ফাৰ্ডাৰ এক্সাভেছন অব্ মহেনজোদাৰো') পুথিৰ পৰা উদ্ধৃত*



*নক্সা ১.৬*
*শস্য ডলিবলৈ ব্যৱহাৰ কৰা ঘোঁৰাৰ জীন সদৃশ জাঁত*

➲ দৈনন্দিন জীৱনত ব্যৱহৃত প্ৰাচীন হস্তনিৰ্মিত সা-সঁজুলিবোৰনো প্ৰকৃতপক্ষে কি কামত ব্যৱহৃত হৈছিল এই তথ্য সংগ্ৰহ কৰিবলৈ পুৰাতত্ত্ববিদসকলে বৰ্তমান কালৰ সাদৃশ্য নীতিৰ আশ্ৰয় লৈছে। (এই নীতি যেগে উদাহৰণ তথা উপমাৰ দ্বাৰা দুটা বস্তুৰ সাদৃশ্য প্ৰতিপন্ন কৰা হয়। মেকে (Mackay) নামৰ পুৰাতত্ত্ববিদজনে বৰ্তমান যুগৰ জাঁতৰ সৈতে হৰপ্পাত প্ৰাপ্ত জাঁতৰ তুলনা কৰিছে। এইটো তুমি এটা কামত অহা কৌশল বুলি ভাবানে?

*নক্সা ১.৫*
*ধোলাভিৰাত প্ৰাপ্ত জলাশয়ত ইটা আৰু শিলেৰে নিৰ্মিত স্থাপত্যৰ কাম লক্ষ কৰা*



➲ আলোচনা কৰা...

খাদ্যাভ্যাসৰ বিষয়ে জানিবলৈ পুৰাতত্ত্ববিদসকলে কিধৰণৰ সাক্ষ্য ব্যৱহাৰ কৰিছিল?

## ৩. মহেনজোদাৰো

### এখন পৰিকল্পিত নগৰ কেন্দ্ৰ


হৰপ্পীয় সভ্যতাৰ এক অতুলনীয় বৈশিষ্ট্য হ'ল নগৰকেন্দ্ৰসমূহৰ অগ্ৰগতি। এতিয়া,এনে এটা সভ্যতাৰ কেন্দ্ৰ মহেনজোদাৰোকে আমি মনপুতি চাওঁ আহা। অৱশ্যে, মহেনজোদাৰো এই অঞ্চলৰ সবাতোকৈ বিখ্যাত স্থান হ'লেও এই সভ্যতাৰ প্ৰথম আৱিস্কাৰ হৰপ্পাহে।

এই স্থানৰ জনবসতি তথা লোকালয়সমূহ দুভাগে বিভক্ত, এভাগ ক্ষুদ্ৰাকৃতিৰ কিন্তু উচ্চতৰ স্থানত অৱস্থিত আৰু আনভাগ যথেষ্ট বৃহদাকাৰ হ'লেও, ই উচ্চাতত নিম্ন। পুৰাতাত্ত্বিকসকলে ইয়াক যথাক্ৰমে দুৰ্গ নগৰ আৰু নামনিৰ নগৰ নাম

*নক্সা ১.৭*

*মহেনজোদাৰো নগৰৰ বিন্যাস চিত্ৰ*

➲ নামনিৰ নগৰখনত দুৰ্গ নগৰতকৈ কি ক্ষেত্ৰত প্ৰভেদ দেখা যায়?



দিছে। দুৰ্গ নগৰসমূহৰ উচ্চতাৰ কাৰণ হৈছে বোকামাটিৰে তৈয়াৰী ইটাৰে নিৰ্মিত ওখ আৰু সমান মঞ্চত ইয়াৰ অট্টালিকাসমূহৰ অৱস্থিতি। দুৰ্গ নগৰসমূহ আছিল প্ৰাচীৰেৰে বেষ্টিত আৰু নামনিৰ নগৰসমূহৰ পৰা কায়িকভাৱে বিচ্ছিন্ন।

নামনিৰ নগৰখনো আছিল প্ৰাচীৰেৰে আবৰা। মঞ্চসমূহত আছিল ভালেমান অট্টালিকা। মঞ্চবোৰ অট্টালিকাসমূহৰ ভেটি হিচাপে ব্যৱহৃত হৈছিল। হিচাপ কৰি পোৱা গৈছে যে, যদি এজন বনুৱাই সেই স্থানত ভেটি নিৰ্মাণ কৰিবলৈ থুলমূলকৈ দৈনিক এক কিউবিক মিটাৰ মাটি পেলায়, তেন্তে এদিনত চাৰি নিযুত বনুৱাৰ আৱশ্যক হয়। অৰ্থাৎ সহজ ভাষাত অট্টালিকা আদি নিৰ্মাণৰ বাবে এক বিৰাট সংখ্যক বনুৱা সাজু কৰি থোৱা হৈছিল।

এতিয়া আন এটা বিষয়ত দৃষ্টিপাত কৰা যাওঁক। নিজ নিজ ঠাইত মঞ্চবোৰ গঢ়ি উঠাৰ পিছত, নগৰৰ অন্তৰ্গত অট্টালিকা আদি নিৰ্মাণ সংক্ৰান্ত সকলোবোৰ কাম-কাজ এই মঞ্চবোৰ থকা নিৰ্দিষ্ট স্থানতেই সীমাবদ্ধ হৈ পৰে। ইয়াৰ দ্বাৰা এইটোৱেই প্ৰতীয়মান হয় যে, লোকালয় গঢ়িবলৈ প্ৰথমে আঁচনি প্ৰস্তুত কৰি তাৰ পিছতহে তাক কাৰ্যত পৰিণত কৰা হয়। এনে আঁচনিৰ আন এটা পূৰ্বলক্ষণ হ'ল ইটাৰ যোগাৰ। ৰ'দত শুকুৱা বা জুইত সেঁকা যেনেকুৱাই নহওঁক, ইটাবোৰ হ'ব লাগিব এক নিৰ্দিষ্ট মানৰ আৰু সেইমতে এইবোৰ যথাক্ৰমে চাৰিগুণ দীঘল আৰু দুগুণ বহলকৈ তৈয়াৰ কৰা হ'ব। হৰপ্পাৰ সকলোবোৰ লোকালয়তে এনে ইটা ব্যৱহৃত হৈছিল।

### ৩.১ নলা-নৰ্দমা বিন্যাস

সু-পৰিকল্পিতভাৱে নিৰ্মিত জলনিষ্কাসন ব্যৱস্থা তথা পয়ঃপ্ৰণালী আছিল হৰপ্পাৰ নগৰসমূহৰ অন্যতম প্ৰধান বৈশিষ্ট্য। নামনিৰ নগৰৰ বাট-পথবোৰ থুলমূলকৈ এটা 'গ্ৰিড' ব্যৱস্থাৰ ওচৰে ওচৰে গৈ শুদ্ধভাৱে কিছুমান নিৰ্দিষ্ট স্থানত ইটোৱে সিটোক খণ্ডিত কৰিছিলগৈ। এইবোৰ দেখিলে এনে লাগে যে, ইয়াৰ অধিবাসীসকলে প্ৰথমে নৰ্দমাযুক্ত পথবোৰ নিৰ্মাণ কৰি ইয়াৰ ওচৰে ওচৰে ঘৰবোৰ সাজিছিল। যদি ঘৰুৱা পেলনীয়া পানীবোৰ আলিবাটৰ নৰ্দমাত পৰিবগৈ লাগে, তেন্তে তাৰ বাবে প্ৰত্যেকটো ঘৰতেই আলিবাটৰ দাঁতিয়েদি অন্ততঃ এখন প্ৰাচীৰ নিৰ্মাণৰ আৱশ্যকতাই দেখা দিছিল।

**হৰপ্পাৰ দুৰ্দশা**

যদিও হৰপ্পা নগৰখন পোন প্ৰথমে আৱিস্কাৰ হৈছিল, ইয়াৰ ইটাবোৰত চোৰৰ চকু পৰাত ই বেয়াকৈ ধ্বংসৰ মুখত পৰিছিল। আমাৰ দেশৰ পুৰাতত্ত্ব অনুসন্ধান বিভাগৰ যিজন সঞ্চালক প্ৰধানক প্ৰায়ে 'ভাৰতীয় পুৰাতত্ত্বৰ জনক' বুলি উল্লেখ কৰা হয়, সেইজন পুৰোধা ব্যক্তি আলেকজেণ্ডাৰ কুনিংঘামে ১৮৭৫ চনতেই মন কৰিছিল যে, এই পুৰণি স্থানৰ পৰা লৈ যোৱা ইটাৰে লাহোৰ আৰু মুলতানৰ মাজত অনায়াসে প্ৰায় এশ মাইল দৈৰ্ঘৰ ৰে'লআলি সাজিব পৰা গ'লহেঁতেন! একেদৰে, এই স্থানৰ ভালেমান প্ৰাচীৰ গৃহ, অট্টালিকা আদি সংৰক্ষিত স্থাপত্যকো ধ্বংস কৰা হৈছে। ইয়াৰ তুলনাত মহেনজোদাৰো অৱশ্যে অধিক সুচাৰুভাৱে সংৰক্ষিত।

*নক্সা ১.৮*
*মহেনজোদাৰোৰ নৰ্দমা, নৰ্দমাত সোমাবলৈ থকা বৃহৎ চিদ্ৰ পথটো লক্ষ কৰা।*




**দুৰ্গসমূহ**

থুলমূলভাৱে হৰপ্পাৰ লোকালয়সমূহত একোটা ক্ষুদ্ৰ কিন্তু ওখ পশ্চিম অংশ থাকে। একেদৰে থাকে ইয়াতকৈ ডাঙৰ কিন্তু নিম্ন পূব অংশ। অৱশ্যে ইয়াৰ তাৰতম্য নোহোৱা নহয়। ধোলাভিৰা আৰু গুজৰাটৰ এনে স্থানবোৰ সম্পূৰ্ণভাৱে সুৰক্ষিত আৰু ইয়াৰ দুৰ্গ নগৰৰ ভিতৰৰ বিভিন্ন খণ্ডসমূহো প্ৰাচীৰেৰে পৃথকীকৰণ কৰা দেখা গৈছে। অৱশ্যে লোথালৰ দুৰ্গ নগৰখন প্ৰাচীৰ বেষ্টিত নহ'লেও ইয়াক যথেষ্ট উচ্চস্থানত নিৰ্মাণ কৰা হৈছে।

## ৩.২ ঘৰুৱা স্থাপত্য কলা

মহেনজোদাৰোৰ নামনিৰ নগৰত ভালেমান গৃহৰ স্থাপত্যকলাৰ নিদৰ্শন পোৱা যায়। অধিক সংখ্যক ক্ষেত্ৰতে এনে গৃহৰ মধ্যস্থলত এখন চোতালক কেন্দ্ৰ কৰি ইয়াৰ কেউদিশে কোঠাবোৰ নিৰ্মাণ কৰা হৈছে। বিশেষকৈ, জহৰ দিন আৰু শুকান বতৰত এই চোতালখন ৰন্ধা-বঢ়া, বোৱা-কটা আজি যাৱতীয় কাম-কাজৰ কেন্দ্ৰত পৰিণত হৈছিল যেন লাগে। বাসগৃহৰ তলৰ মহলাৰ প্ৰাচীৰত খিৰিকিৰ ব্যৱস্থা নৰখাটোৱে সেই লোকসকলে যে আবুৰ তথা আঁৰবেৰৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল সেই কথাটোৱে সূচায়। তদুপৰি বাসগৃহৰ প্ৰৱেশ দ্বাৰখনো এনে ধৰণে সঁজা হৈছিল যাতে ইয়াৰ পৰা ঘৰৰ ভিতৰ বা চোতালখন দেখা নাযায়।

প্ৰত্যেকটো ঘৰতে ইটাৰে সঁজা একোটা স্নানাগাৰ আছিল আৰু ইয়াৰ সৈতে সংলগ্ন একোটা নৰ্দমাৰ দ্বাৰা নিষ্কাষিত পানী প্ৰাচীৰৰ ফুটাইদি ওলাই আলিবাটৰ নৰ্দমাত পৰিছিলগৈ। কিছুমান ঘৰত ওপৰ মহলা বা চাদত উঠিবলৈ থকা খটখটিৰ ভগ্নাৱশেষো পোৱা গৈছে। কিছুমান ঘৰত একোটা কোঠাতে পানীৰ কুঁৱা আছিল, য'ত বাহিৰৰ মানুহো সোমাব পাৰে। সম্ভৱতঃ বাটৰুৱাসকলক পানী ব্যৱহাৰৰ সুবিধা দিবলৈকে এনে ব্যৱস্থা কৰা হৈছিল। মহেনজোদাৰোত প্ৰায় ৭০০ কুঁৱা আছিল বুলি পণ্ডিতসকলে অনুমান কৰে।




উৎস ২

**বৰ্তমানলৈকে আৱিস্কৃত আটাইতকৈ প্ৰচীন পদ্ধতি**


মেকেৰ মতে এই নৰ্দমাবোৰে এতিয়ালৈকে আৱিস্কৃত নৰ্দমাসমূহৰ ভিতৰত 'নিঃসন্দেহে আটাইতকৈ পুৰণি, স্বয়ংসম্পূৰ্ণ পদ্ধতি'ৰ চানেকি দাঙি ধৰিছে। প্ৰতিটো ঘৰেই আছিল আলিবাটৰ নৰ্দমাৰ সৈতে সংযুক্ত। প্ৰধান নলা-নৰ্দমাবোৰ আছিল চুণচুৰ্কিৰে কপকপীয়াকৈ গঁঠা ইটাৰে নিৰ্মিত আৰু এইবোৰ কিছুমান ইটাৰে ঢিলাকৈ ঢাকি থোৱা হৈছিল যাতে আৱশ্যকমতে সেইবোৰ আঁতৰাই নৰ্দমা পৰিষ্কাৰ কৰিব পাৰি। কোনো কোনো ক্ষেত্ৰত এনে ঢাকনি দিবলৈ চুণশিল ব্যৱহৃত হৈছিল। ঘৰুৱা নলীয়েদি যোৱা আৱৰ্জনা প্ৰথমে এটা গাঁত (চুৰা বা মল পেলোৱা)ত পৰিছিল। এই গাঁতটোতে গোটা বস্তুবোৰ ৰৈ গৈছিল আৰু জুলীয়া ভাগ ওলাই গৈ আলিবাটৰ নৰ্দমাত পৰিছিলগৈ। যথেষ্ট দীঘল এনে নৰ্দমাসমূহৰ অলপ আঁতৰে আঁতৰে পানী জমা হোৱা গাঁত নিৰ্মাণ কৰা হৈছিল যাতে, সেইবোৰ সময়ে সময়ে পৰিষ্কাৰ কৰি থাকিব পাৰি। আচৰিত কথা যে, এই নৰ্দমাসমূহৰ কাষে কাষে প্ৰায়ে কিছুমান আৱৰ্জনা (বিষেশকৈ বালিৰ) সৰু সৰু থুপ দেখা গৈছে...। ইয়াৰ পৰা বুজিব পাৰি যে নৰ্দমা পৰিষ্কাৰ কৰোতে থুপ খোৱা জাবৰ-জোথৰবোৰ সদায়েই চকা লগা গাড়ীৰে পৰিষ্কাৰকৈ টানি নিয়া নহৈছিল।

*আৰ্নেষ্ট মেকেৰ 'Early Indus Civilisation' ১৯৪৮ৰ পৰা এই উদ্ধৃতি দিয়া হৈছে।*

কেৱল ডাঙৰ ডাঙৰ নগৰসমূহতহে যে নৰ্দমা ব্যৱস্থা অনন্য আছিল এনে নহয়, ক্ষুদ্ৰাকৃতিৰ নগৰবিলাকতো এই ব্যৱস্থাৰ তাৰতম্য নাছিল। উদাহৰণস্বৰূপে, লোথালৰ ঘৰবিলাক বোকামাটিৰে নিৰ্মিত ইটাৰ হ'লেও ইয়াৰ নৰ্দমাবোৰ আছিল পোৱা মাটিৰে নিৰ্মিত।

*নক্সা ১.৯*
*এইটো মহেনজোদাৰোৰ এটা আহল-বহল বাসগৃহৰ সমমাত্ৰিক অঙ্কিত চিত্ৰ। ৬ নম্বৰ কোঠাত এটা কুঁৱা দেখা গৈছে।*

➲ চোতালখন ক'ত? খটখটি দুটা ক'ত দেখিছানে? ঘৰটোৰ প্ৰৱেশ দ্বাৰখন কেনেকুৱা বাৰু?




*নক্সা ১.১০*

*সুৰক্ষিত অঞ্চলৰ পৰিকল্পনা*

## ৩.৩ দুৰ্গ অঞ্চল

মহেনজোদাৰোৰ দুৰ্গ অঞ্চলত থকা স্থাপত্যসমূহ সম্ভৱতঃ সামাজিক কাম-কাজত ব্যৱহৃত হৈছিল। এইবোৰৰ ভিতৰত আছে এটা প্ৰকাণ্ড গুদামঘৰ আৰু বৃহৎ ৰাজহুৱা স্নানাগাৰ এটা। গুদামঘৰটোৰ নিম্নাংশৰ ইটাৰ গাঁঠনিটো এতিয়াও আছে যদিও ইয়াৰ কাঠেৰে সঁজা ওপৰৰ অংশটো কেতিয়াবাই জহি-খহি গৈছে।

বৃহৎ স্নাগাগাৰটো হৈছে এখন চোতালৰ মাজত অৱস্থিত চাৰিচুকীয়া পুখুৰী আৰু ইয়াৰ চাৰিওফালে আছে এটা দীঘল কৰিডৰ। পুখুৰীটোত নামিবৰ বাবে যথাক্ৰমে উত্তৰ আৰু দক্ষিণে দুটা খটখটি আছে। খটখটিৰ কাষে কাষে চুণচুৰ্কীৰে ইয়াৰ গাঁঠনি দিয়াৰ উপৰি 'জিপচাম' নামৰ খনিজপদাৰ্থৰে প্লাচটাৰ দি ইয়াক পানী নসৰাকৈ নিঃছিদ্ৰ কৰা হৈছে। পুখুৰীটোৰ পাৰত তিনিও কাষে কিছুমান কোঠা আছিল আৰু তাৰে এটাত আছিল এটা প্ৰকাণ্ড কুঁৱা। এই কুঁৱাটোৰ পৰা এটা ডাঙৰ নৰ্দমাৰে পানী প্ৰবাহিত হৈছিল। উত্তৰাংশত থকা সুৰুকিয়া পথ এটা অতিক্ৰম কৰিলে যিটো ইষৎ ক্ষুদ্ৰাকৃতিৰ ঘৰ পোৱা যায় তাৰ ভিতৰত আছিল আঠটা গা ধোৱা কোঠা। কৰিডৰৰ দুয়োকাষ একোটা শাৰীত চাৰিটাকৈ এই গা ধোৱা কোঠাৰ নলাৰ পানী কৰিডৰৰ কাষেদি যোৱা ডাঙৰ নৰ্দমাটোত পৰিছিলগৈ। বৃহৎ ৰাজহুৱা স্নানাগাৰটোৰ দুৰ্লভ স্থাপত্য আৰু বহুবোৰ বৈশিষ্ট্যপূৰ্ণ অট্টালিকাৰে সমৃদ্ধ সুৰক্ষিত অঞ্চলটোৰ যিটো পৰিৱেশত ই আৱিষ্কৃত হৈছে তালৈ লক্ষ্য কৰি পণ্ডিতসকলে ইয়াক বিশেষ ধৰ্মীয় স্নানৰ বাবে নিৰ্মাণ কৰা হৈছিল বুলি মত প্ৰকাশ কৰিছে।

**➲ আলোচনা কৰা...**

মহেনজোদাৰোৰ কোনটো স্থাপত্যত পৰিকল্পনাৰ আভাস পোৱা গৈছে?

➲ গুদামঘৰ আৰু বৃহৎ স্নানাগাৰটোৰ বাহিৰে দুৰ্গৰ সংৰক্ষিত অঞ্চলত অন্য কিবা সংৰক্ষিত ঘৰবাৰী নিৰ্মাণ হৈছিলনে?

## ৪. সামাজিক বৈষম্যতাৰ পম খেদি

### ৪.১ মৃতকৰ সৎকাৰ

কোনো এক বিশেষ সংস্কৃতিৰ অন্তৰ্গত লোকসকলৰ মাজত কিবা সামাজিক নাইবা অৰ্থনৈতিক তাৰতম্য আছে নে নাই সেই বিষয়ে জানিবলৈ পুৰাতত্ত্ববিদসকলে সাধাৰণতে কিছুমান কৌশল অৱলম্বন কৰে। মৃতকৰ সৎকাৰ পদ্ধতি অধ্যয়ন এনে কৌশলসমূহৰ অন্যতম। ইজিপ্তৰ বিৰাট বিৰাট পিৰামিডসমূহৰ বিষয়েও তোমালোকে হয়তো জানা। ইয়াৰে কিছুমান পিৰামিড হৰপ্পীয় সভ্যতাৰ সমসাময়িক। পিৰামিড হ'ল ৰাজকীয় সমাধি আৰু এইবোৰত মৃতকৰ সৈতে অজস্ৰ ধন-সম্পত্তিও সমাধিস্থ কৰা হৈছিল।

হৰপ্পাৰ এনে সমাধিস্থানত সাধাৰণতে গাঁত খান্দি মৃতদেহ পুতি দিয়া হৈছিল। কিন্তু এইদৰে গাঁত খন্দাৰ ক্ষেত্ৰত কেতিয়াবা কিছুমান পাৰ্থক্য দেখা যায়— উদাহৰণস্বৰূপে, কোনো কোনো ক্ষেত্ৰত এনে স্থানত দোপ খাই থকা মাটিত শাৰী পাতি ইয়াৰ গাঁথনি দিয়া হয়। এনেধৰণৰ তাৰতম্যসমূহে কিবা সামাজিক বৈষম্যতাৰ চিনাকি দিয়ে নেকি এই বিষয়ে আমি সঠিকভাৱে একো নাজানো।

কিছুমান সমাধিত বহুত বাচন-পত্ৰ আৰু আ-অলংকাৰ থকালৈ চাই এনেহে লাগে যে সেইকালৰ লোকে এনে বস্তুবোৰ পৰলোকত ব্যৱহৃত হ'ব বুলি বিশ্বাস কৰিছিল। বহুবোৰ আ-অলংকাৰ পুৰুষ আৰু মহিলা উভয়ৰে সমাধিত দৃষ্টিগোচৰ হৈছে। দৰাচলতে ১৯৮০ চনৰ মাজ ভাগত হৰপ্পাৰ এটা সমাধিস্থলত খনন কাৰ্য চলাওঁতে তাত এজন মৃতক (পুৰুষ)ৰ লাওখোলাৰ দাঁতিত তিনিটা শামুকৰ খোলাৰ আঙুঠি, এটা কিঞ্চিৎ মূল্যৱান সূৰ্যকান্ত মণি আৰু সুদা চকুৰে মনিব নোৱৰা (কেৱল অনুবীক্ষণ যন্ত্ৰত দৃষ্ট) শ শ মণি পোৱা গৈছে। কোনো কোনো ক্ষেত্ৰত মৃতকৰ সৈতে তামেৰে নিৰ্মিত দাপোণ দিয়া হৈছে। কিন্তু, মুঠৰ ওপৰত এনে লাগে যে, হৰপ্পাৰ লোকসকলে মৃতদেহৰ সৈতে মূল্যৱান বয়বস্তু সমাধিস্থ কৰাটো আৱশ্যক বুলি বিশ্বাস নকৰিছিল।



*নক্সা ১.১১*
*তামৰ দাপোণ*

### ৪.২ 'ভোগবাদ'ৰ অন্বেষণত

সামাজিক বৈষম্যতাৰ চিনাক্তকৰণৰ আন এটা উপায় হ'ল হস্তনিৰ্মিত সা-সঁজুলিৰ অধ্যয়ন। পুৰাতত্ত্ববিদসকলে এনে সা-সঁজুলিক দুভাগে বিভক্ত কৰিছে। উপযোগ ভিত্তিক তথা বস্তুবাদী আৰু ভোগবাদী তথা বিলাসী। ইয়াৰ প্ৰথম ভাগত পৰে বোকা মাটি, শিল আদি সাধাৰণ বস্তুৰে কম আয়াসতে তৈয়াৰ কৰা জাঁত, পাত্ৰ, বেজী, শলা, গা ঘঁহা-পিহা কৰাৰ বাবে চামৰাৰে প্ৰস্তুত কৰা ৰবৰ তথা মাৰ্জক আদি সামগ্ৰীবোৰ। এনেধৰণৰ সামগ্ৰীবোৰ লোকবসতি অঞ্চলৰ চাৰিওকাষে সিঁচৰতি হৈ পৰি থকা দেখা যায়। আনহাতে, যিবোৰ বস্তু মূল্যৱান আৰু স্থানীয়ভাৱে সহজলভ্য নোহোৱা উপাদানেৰে প্ৰস্তুত নাইবা প্ৰস্তুত কৰোতে জটিল প্ৰযুক্তিবিদ্যাৰ সহায় ল'বলগীয়া হয়, সেইবোৰক পুৰাতত্ত্ববিদসকলে ভোগবাদী তথা বিলাসী বুলি অভিহিত কৰিছে। 'ফায়েন্স'ৰ পাত্ৰবিলাক সাজিবলৈ যথেষ্ট কষ্ট কৰিবলগীয়া হয় বাবে এনে ক্ষুদ্ৰাকৃতিৰ পাত্ৰকো বিলাসী বুলি গণ্য কৰা হয়। উল্লেখযোগ্য যে, মাটিয়া বালি বা চিল্কাত ৰং আৰু গম আঠা মিহলাই তাক জুইত পৰি প্ৰস্তুত কৰি উলিওৱা 'ফায়েন্স' (Faience) নামৰ সামগ্ৰীবিধ

*নক্সা ১.১২*
*ফায়েন্স (Faience) পাত্ৰ*



যিবিলাক বস্তু মানুহে সাৱধানে জমা কৰি থয়, সেইবোৰেই হ'ল গোপন ভাণ্ডাৰ। সাধাৰণতে এইবোৰ কোনো পাত্ৰাদিত ভৰাই থোৱা হয়। এই বস্তুবোৰ আ-অলংকাৰ বা ধাতুৰে নিৰ্মিত আন বস্তুও হ'ব পাৰে। ধাতু শিল্পৰ কাৰিকৰসকলে এনেবোৰ বস্তু পুনৰ ব্যৱহাৰ কৰিবলৈকো সাঁচি থ'ব পাৰে। যদি প্ৰকৃত গৰাকীয়ে কোনো কাৰণবশতঃ এই বস্তুবোৰ পুনৰ হস্তগত নকৰে, তেন্তে পুৰাতত্ত্ববিদসকলে আৱিষ্কাৰ নকৰালৈকে সেইবোৰ য'ৰে বস্তু তাতেই থাকি যায়।

**আলোচনা কৰা...**

বৰ্তমান কালত কি কি ধৰণে মৃত ব্যক্তিৰ সংকাৰ কৰা হয়? এই ধৰণবোৰে কিমানদূৰ সামাজিক বৈষম্যৰ ছবি দাঙি ধৰে?

প্ৰস্তুত কৰাটো যথেষ্ট কষ্টকৰ বাবে তেওঁলোকে ইয়াক মূল্যবান আৰু বিলাসী আখ্যা দিছে।

কিন্তু দৈনন্দিন জীৱনত ব্যৱহৃত বিভিন্ন যন্ত্ৰ বা টাকুৰী আদিত যেতিয়া ফায়েন্সৰ দৰে দুৰ্লভ সামগ্ৰীৰে নিৰ্মিত ঘুঘুৰী ব্যৱহাৰ কৰোহঁক, তেতিয়া এই বস্তুটোক বস্তুবাদী নে ভোগবাদী বুলিম সেইটোলৈ এক অস্বস্তিকৰ অৱস্থাত নপৰো জানো?

এনে হস্তকৰ্মৰ নিদৰ্শনৰ বিতৰণ সম্বন্ধে অধ্যয়ন কৰিলে দেখা যায় যে, মূল্যৱান বস্তুবোৰৰ ব্যৱহাৰ সচৰাচৰ মহেনজোদাৰো আৰু হৰপ্পাৰ দৰে ডাঙৰ ডাঙৰ লোকবসতিতেই সীমাবদ্ধ আছিল আৰু সৰু সৰু লোকালয়ত এইবোৰ কাচিৎহে চকুত পৰিছিল। উদাহৰণস্বৰূপে, সম্ভৱতঃ সুগন্ধি দ্ৰব্যৰ বাবে প্ৰস্তুত সৰু সৰু বটলবোৰ মহেনজোদাৰো আৰু হৰপ্পাতহে দেখা গৈছে— কালিনাঙ্গনৰ দৰে ক্ষুদ্ৰ লোকালয়সমূহত নহয়। সোণ আৰু দুৰ্লভ্য আৰু বৰ্তমানৰ দৰে তেতিয়াও ই বোধকৰো এবিধ মূল্যৱান ধাতু হিচাপে পৰিগণিত হৈছিল। সেইবাবেই হয়তো হৰপ্পা অঞ্চলত গোপনে লুকাই থোৱা ঠাইৰ পৰা কিছু পৰিমাণে সোণৰ অলঙ্কাৰ পুনৰোদ্ধাৰ হৈছে।


## ৫. হস্তনিৰ্মিত সামগ্ৰীৰ আৱিষ্কাৰ

১ নম্বৰ মানচিত্ৰখনত চানহোদাৰোৰ অৱস্থিতি বিচাৰি উলিওৱা। ১২৫ হেক্টৰ জুৰি বিস্তৃত মহেনজোদাৰোৰ তুলনাত ই এখন ক্ষুদ্ৰ লোকালয় আৰু ইয়াৰ মাটিকালিও ৭ হেক্টৰতকৈ তাকৰ। মনিৰ মালা গঁঠা, শামুকৰ খোলা কটা, ধাতুৰ কাম, চিল-মোহৰ আৰু মাপ-জোখৰ ওজন আদি তেয়াৰী কামতেই যেন এই নগৰখন আছিল সদাব্যস্ত।

মালা গুঁথিবলৈ ব্যৱহৃত সামগ্ৰীসমূহ আছিল বিশেষভাৱে লক্ষণীয়। এনে সামগ্ৰীৰ অন্তৰ্গত আছিল কৰ্ণেলিয়ান নামৰ এবিধ ধুনীয়া ৰঙা মণি, সূৰ্যকান্ত মণি, স্ফটিক, কাঁচ যেন লগা আন এবিধ মণি আৰু চাবোন শিলৰ পৰা আৰম্ভ কৰি তাম, ব্ৰঞ্জ, সোণ আদি ধাতু, শামুকৰ খোলা, ফায়েন্স আৰু পোৰামাটি। মালাত ব্যৱহৃত কিছুমান পাথৰ আছিল সোণৰ টুপ লগোৱা। কিছুমান মালাত দুই বা ততোধিক মণি আঠাৰে সংযোজন কৰি প্ৰস্তুত কৰা হৈছিল। এইবোৰৰ আকৃতিও

*নক্সা ১.১৩*
*এবিধ সঁজুলি আৰু এধাৰি মালা*






আছিল ভিন ভিন। কেতিয়াবা পাশাৰ দৰে আৰু কেতিয়াবা হয়তো খণ্ড খণ্ডকৈ বেলনা আকাৰৰ চুঙা, পটাগুটি, পিপা আদিৰ আকৃতিৰ। কিছুমান মালাত আছিল চিত্ৰাঙ্কনৰ সাঁচ আৰু কিছুমানত তীব্ৰ ৰসায়নিক দ্ৰব্যৰ দ্বাৰা কিছুমান অঙ্কন খোদাই কৰা হৈছিল।

সামগ্ৰীভেদে মণি তৈয়াৰীৰ প্ৰযুক্তিও ভিন ভিন। অতি কোমল হোৱাৰ বাবে চাবোন শিলত মণি তৈয়াৰ কৰাটো উজু। চাবোন শিলৰ গুড়িৰে তৈয়াৰী এবিধ কৰালত ঢালাই দিও মণি তৈয়াৰ হয়। এনে মণিবোৰত বিভিন্ন আকাৰ দিব পাৰি আৰু এই আকৃতি কঠিন শিলত প্ৰস্তুত জ্যামিতিৰ চিত্ৰসদৃশ নহয়। চাবোন শিলৰ দ্বাৰানো কিদৰে অতি ক্ষুদ্ৰ ক্ষুদ্ৰ মণিবোৰ প্ৰস্তুত কৰা হৈছিল সেই প্ৰাচীন প্ৰযুক্তি কৌশলটো অধ্যয়নৰত পুৰাতত্ত্ববিদসকলৰ বাবে এতিয়াও এটা দুৰ্ভেদ্য সাঁথৰ।

পুৰাতত্ত্ববিদসকলে গৱেষণা কৰি আৱিস্কাৰ কৰিছে যে, এবিধ হালধীয়া কেঁচাসামগ্ৰী আৰু কিছুমান মণি বিভিন্ন সময়ত জুইত দিয়াৰ পিছত কৰ্ণেলিয়ান ৰঙা বৰণটো পোৱা গৈছিল। এইদৰে প্ৰাপ্ত সৰু সৰু টোপোৰাবোৰ যিকোনো এটা আকৃতিত ডোখৰ ডোখৰ কৰি তাৰ পিছত মিহিকৈ চকলিয়াই এটা পূৰ্ণাঙ্গ ৰূপ দিয়া হৈছিল। ইয়াৰ পিছত এইবোৰ ডলি ডলি, ঘঁহি-মজি নিমজ কতিৰ বিন্ধনাৰে কৰা কেতবোৰ ছিদ্ৰত ঢালি মণি প্ৰস্তুতিৰ প্ৰযুক্তি কৌশলৰ সমাপ্তি ঘটোৱা হৈছিল। এনে কাৰ্যত ব্যৱহৃত বিন্ধনা চানহোদাৰো, লোথাল আৰু সম্প্ৰতি ধোলাভিৰাতো পোৱা গৈছে।



*নক্সা ১.১৪*

**মৃতশিল্প**

*এনে শিল্পৰ নিদৰ্শন দিল্লীৰ জাতীয় যাদুঘৰ নাইবা লোথালৰ খনন স্থানৰ যাদুঘৰত প্ৰদৰ্শন কৰা হৈছে।*

তুমি যদি ১ নম্বৰ মানচিত্ৰখনত নাগেশ্বৰ আৰু বালাকোট বিচাৰি উলিয়াব পৰা, তেন্তে দেখিবা যে, এই দুয়োখন লোকালয় সাগৰৰ তীৰৰ পৰা কিছু আঁতৰত অৱস্থিত। শামুকৰ খোলাৰে প্ৰস্তুত সামগ্ৰীৰ বাবে বিশেষ ব্যুৎপত্তি লাভ কৰা এই স্থানৰ খাৰু, বিভিন্ন কাৰুকাৰ্য খচিত তথা পতা চৰোৱা অলংকাৰ বা অন্যান্য বস্তু আৰু হেতা, কাঢ়নি, কৰচ আদি আন জনবসতি অঞ্চললৈকো পঠিওৱা হৈছিল। একেধৰণে চানহুদাৰো আৰু লোথালৰ পৰাও নিখুঁত মানৰ সম্পূৰ্ণভাৱে প্ৰস্তুত বস্তু (যেনে— মণি, মালা আদি) মহেনজোদাৰো আৰু হৰপ্পাৰ দৰে ডাঙৰ ডাঙৰ নগৰ কেন্দ্ৰলৈ ৰপ্তানী হ'বও পাৰে।



নক্সা ১.১৫

পোৱা মাটিত ঢালাই কৰা এটা ক্ষুদ্ৰাকৃতিৰ মূৰ্তি

## ৫.১ উৎপাদন কেন্দ্ৰসমূহৰ চিনাক্তকৰণ

হস্তনিৰ্মিত বয়বস্তুৰ উৎপাদন কেন্দ্ৰবোৰ চিনাক্ত কৰিবলৈ পুৰাতত্ত্ববিদসকলে যিবোৰ বস্তু বা কেঁচা সামগ্ৰীৰ সন্ধান কৰে, সেইবোৰ হ'ল— শিলগুটি, খুঁত নথকা শামুকৰ খোলা, তামৰ আকৰ, হাঁতুৰি, বটালীকে ধৰি বিভিন্ন সা-সৰঞ্জাম, অৰ্দ্ধনিৰ্মিত, কামত নলগা আৰু

**আলোচনা কৰা...**

এই অধ্যায়ত প্ৰদৰ্শিত হস্তনিৰ্মিত সামগ্ৰীসমূহ বস্তুবাদী নে ভোগবাদী বুলি বিবেচিত হ'ব? উভয় বিধৰ ভিতৰত পৰিব পৰা কিবা সামগ্ৰী ইয়াত আছেনে?



*নক্সা ১.১৬*
*তাম আৰু ব্ৰঞ্জৰ পাত্ৰ*

পেলনীয়া বস্তু। প্ৰকৃতপক্ষে, হস্ত নিৰ্মিত বস্তুৰ চিনাক্তকৰণৰ বাবে পেলনীয়া বস্তুবোৰ হ'ল উত্তম সূচক। উদাহৰণস্বৰূপে, শামুকৰ খোলা বা শিল কাটি বয়বস্তু নিৰ্মাণ কৰোতে ইয়াৰ অলাগতিয়াল টুকুৰাবোৰ উৎপাদনস্থলতে পৰি থাকে আৰু পুৰাতত্ত্ববিদসকলে এইবোৰক লৈয়েই গৱেষণা আৰম্ভ কৰে।

কেতিয়াবা পেলনীয়া বস্তুৰ ডাঙৰ টুকুৰাৰ পৰা কিছুমান ক্ষুদ্ৰাকৃতিৰ বয়বস্তু তৈয়াৰ কৰা হয় যদিও একেবাৰে কণমানি বস্তুবোৰ উৎপাদন স্থানতেই এৰি অহা হয়। এইদৰে পৰি থকা চিহ্ন সমূহৰ পৰা এইটোৱেই প্ৰতীয়মান হয় যে, ব্যুৎপত্তি লাভ কৰা ক্ষুদ্ৰ উৎপাদন কেন্দ্ৰসমূহৰ উপৰি মহেনজোদাৰো আৰু হৰপ্পাৰ দৰে বৃহৎ নগৰসমূহতো হস্ত নিৰ্মিত বস্তু উৎপাদিত হৈছিল।


## ৬. সা-সামগ্ৰী সংগ্ৰহৰ কৌশল

হস্তনিৰ্মিত বয়বস্তু প্ৰস্তুতকৰণত বহুবোৰ সা-সামগ্ৰীৰ আৱশ্যক হয়। এইবোৰৰ ভিতৰত বোকা মাটিৰ দৰে সহজলভ্য বস্তু থাকিলেও কিছুমান বস্তু যেনে— শিল, কাঠ আৰু বিভিন্ন ধাতু বাহিৰৰ আকৰৰ পৰা সংগ্ৰহ কৰিবলগীয়া হৈছিল। পোৰা মাটিয়ে সজা পুতলা বলদ গাড়ীবোৰে এইটোকে সূচায় যে, এনে গাড়ীবোৰ স্থলপথেদি বয়বস্তু আৰু মানুহ কঢ়িয়াবৰ বাবে এক অত্যাৱশ্যকীয় বাহন আছিল। সম্ভৱতঃ সিন্ধু নৈ আৰু ইয়াৰ জলপথসমূহো একে কাৰণতে ব্যৱহৃত হৈছিল।

### ৬.১ উপমহাদেশ বা অন্যান্য অঞ্চলৰ পৰা সংগৃহীত সা-সামগ্ৰী

হস্তনিৰ্মিত বয়বস্তু নিৰ্মাণৰ বাবে হৰপ্পাৰ লোকসকলে বিভিন্ন ধৰণে সা-সামগ্ৰী সংগ্ৰহ কৰিছিল। উদাহৰণস্বৰূপে, নাগেশ্বৰ আৰু বালাকটৰ দৰে ঠাইত শামুকৰ খোলা সহজলভ্য বাবে তেওঁলোকে তাত বসতি স্থাপন কৰিছিল। এনে ধৰণৰ অন্যান্য স্থানসমূহৰ ভিতৰত অতি মূল্যৱান নীলা ৰঙৰ বৈদুৰ্য মণিৰ প্ৰাপ্তিস্থান আছিল সুদূৰ আফগানিস্থানৰ ছৰটঘাই আৰু কৰ্ণেলিয়ান পাথৰ লভ্য হৈছিল গুজৰাটৰ ব্ৰুচত। দক্ষিণ ৰাজস্থান আৰু উত্তৰ ৰাজস্থানত পোৱা গৈছিল চাবোন শিল। সেইদৰে বিভিন্ন ধাতুৰ বাবে বিখ্যাত আছিল ৰাজস্থান। ব্ৰুচ আৰু ৰাজস্থানৰ উৎসসমূহৰ ওচৰত ধাতু-মণিৰ প্ৰাপ্তিস্থান হিচাপে লোথালৰ নামো ল'ব পাৰি।

কেঁচা সামগ্ৰী আহৰণৰ আন এটা কৌশল আছিল উৎসসমূহলৈ একোটা সংগ্ৰহকাৰী দলৰ অভিযান প্ৰেৰণ। এনে অভিযানৰ দ্বাৰা ৰাজস্থানৰ ক্ষেত্ৰী অঞ্চলৰ পৰা তাম আৰু দক্ষিণ ভাৰতৰ পৰা সোণ সংগ্ৰহ কৰা হৈছিল। অভিযানকাৰীসকলে স্থানীয় জনগোষ্ঠীৰ সৈতে আহ-যাহ কৰিছিল। এই স্থানবোৰত চাবোন শিলত নিৰ্মিত অতি ক্ষুদ্ৰ ক্ষুদ্ৰ মণিৰ অৱস্থিতিয়েও কেতিয়াবা হৰপ্পাৰ সৈতে ইয়াৰ সম্বন্ধৰ ইঙ্গিত দিয়ে। ক্ষেত্ৰী অঞ্চলত প্ৰাপ্ত মাটিৰ পাত্ৰবোৰ নিশ্চিতভাৱে হৰপ্পাৰ মাটিৰ পাত্ৰৰ সৈতে একে নহয়। তদুপৰি, সচৰাচৰ চকুত নপৰা অপৰ্যাপ্ত পৰিমাণৰ তামৰ ভাণ্ডাৰেও ঠাইখন সমৃদ্ধ কৰিছিল। সম্ভৱতঃ এই স্থানৰ পৰা পুৰাতত্ত্ববিদসকলে ইয়াক গণেশ্বৰ-যোধপুৰ সংস্কৃতি বুলি ক'বলৈ প্ৰয়াস কৰিছে।




মানচিত্ৰ ৩
হৰপ্পীয় সভ্যতা আৰু পশ্চিম এছিয়া

## ৬.২ দূৰ-দূৰণিৰ ঠাইৰ সৈতে যোগাযোগ

বৰ্তমান কালৰ কেতবোৰ পুৰাতাত্ত্বিক আৱিস্কাৰে আৰৱ উপদ্বীপৰ দক্ষিণ-পূব চুকত অৱস্থিত ওমানৰ পৰা হৰপ্পালৈ তাম অনাৰ সূচনা দিছে। হৰপ্পাৰ দৈনন্দিন জীৱনত লগা হস্তনিৰ্মিত দা-কুঠাৰ আদি আৰু ওমানৰ তামৰ ৰাসায়নিক বিশ্লেষণ কৰি উভয়তে নিকেল ধাতু থকাৰ চিন পোৱা গৈছে। ইয়াৰ দ্বাৰা এইটোৱেই প্ৰমাণ হয় যে, ইয়াৰ উৎস একেটাই। ইয়াৰ বাহিৰে এনে যোগাযোগৰ আন কিছুমান চিহ্নও দৃষ্টিগোচৰ হয়। ক'লা মাটিৰ ডাঠ প্ৰলেপ দি বিশেষ ধৰণে হৰপ্পাত নিৰ্মিত ডাঙৰ পাত্ৰ এটা ওমানত পোৱা গৈছে। এনেধৰণে ডাঠ প্ৰলেপ দিয়া পাত্ৰৰ বিশেষত্ব এয়ে যে, ই পাত্ৰটোৰ পৰা জুলীয়া বস্তু নিগৰি ওলাব নিদিয়ে। এই পাত্ৰৰ যোগেদি কি বস্তু নিয়া হৈছিল আমি নাজানো। কিন্তু এইটো আন্দাজ কৰিব পাৰো যে, এই বস্তুবোৰৰ বিনিময়ত হৰপ্পাৰ লোকসকলে ওমানী তাম সংগ্ৰহ কৰিছিল।

মেছ'পটেমিয়াত প্ৰাপ্ত খ্ৰীষ্টপূৰ্ব প্ৰায় তিনি হাজাৰ বছৰ পূৰ্বৰ কিছুমান পুথি-পাঁজিত মাগান নামৰ স্থানৰ পৰা তাম অনাৰ বিষয়ে উল্লেখিত হৈছে। মাগান সম্ভৱতঃ ওমানৰেই আন এটা নাম। আনহাতে, মেছ'পটেমিয়াৰ তামতো নিকেল

নক্সা ১.১৭
ওমানত প্ৰাপ্ত এটা হৰপ্পীয় মুখ বহল পাত্ৰ



থকাৰ সংবাদটোও যথেষ্ট কৌতূহলোদ্দীপক। অন্যান্য যিবোৰ পুৰাতাত্ত্বিক নিদৰ্শনে মেছ'পটেমিয়াৰ সৈতে দূৰদূৰণিৰ ঠাইৰ যোগাযোগৰ সম্ভাৱনা সূচায়। সেইবোৰৰ ভিতৰত হৰপ্পাৰ চিল-মোহৰ, ওজন, পাশা আৰু মণিৰ নাম উল্লেখনীয়। মন কৰিবলগীয়া যে, মেছ'পটেমিয়াৰ পুথি-পাঁজিত ডিলমুণ (সম্ভৱতঃ হৰপ্পা অঞ্চল)ৰ সৈতে থকা যোগাযোগৰ কথাও কোৱা হৈছে। এই বিৱৰণীত মেলুহ্হাৰ কৰ্ণেলিয়ান, বৈদুৰ্যমণি, তাম, সোণ আৰু বিভিন্ন কাঠৰ বিষয়েও উল্লেখ আছে। মেছ'পটেমিয়াৰ আখ্যানত এইদৰে উল্লেখিত হৈছে 'তোমাৰ চৰাইটো হাজা (Haja) চৰাই হওক, ইয়াৰ মাত ৰাজপ্ৰাসাদলৈকে শুনা যাওঁক।' কোনো কোনো পুৰাতত্ত্ববিদৰ মতে হাজা মানে ম'ৰা চৰাই। এই চৰাইটোৱে ইয়াৰ মাতটোৰ বাবে এই নামটো পাইছিল নেকি বাৰু? ওমান, বাহৰিণ নাইবা মেছ'পটেমিয়াৰ সৈতে জলপথেদি হৰপ্পাৰ যোগাযোগ ঘটাৰ যথেষ্ট সম্ভাৱনা আছিল যেন লাগে। মেছ'পটেমিয়াৰ পুথিৰ মেলুহ্হাক 'নাবিকৰ ভূমি' আখ্যা দিয়া হৈছে। ইয়াৰ উপৰি চিল-মোহৰবোৰতো জাহাজ আৰু নাওৰ অঙ্কিত চিত্ৰ সততে চকুত পৰে।



*নক্সা ১.১৮*
*মেছ'পটেমিয়াৰ গতানুগতিক বৈশিষ্ট্যপূৰ্ণ বেলনা আকাৰৰ চিল-মোহৰ। কিন্তু এই চিল-মোহৰত চিত্ৰিত ষাঁড়গৰুৰ চিত্ৰটো সিন্ধু উপত্যকা অঞ্চলৰ পৰা ধাৰ কৰা যেন লাগে।*




*নক্সা ১.১৯*
*বাহৰিণত প্ৰাপ্ত ঘূৰণীয়া আকৃতিৰ 'পাৰস্য উপসাগৰ নামধাৰী চিল-মোহৰত হৰপ্পীয় অলঙ্কৰণ দেখা গৈছে। চিন্তাকৰ্ষকভাৱে স্থানীয় ডিলমুনৰ ওজনবোৰ মানত হৰপ্পাৰ জোখ-মাখৰ ওজনৰ সৈতে সমান।*

*নক্সা ১.১২০*
*নাওৰ ছবি খোদিত থকা চিল-মোহৰ*



**আলোচনা কৰা...**

হৰপ্পা অঞ্চলৰ পৰা ওমান, ডিলমুন আৰু মেছ'পটেমিয়ালৈ যাব পৰা সাম্ভাব্য পথ কোনবোৰ?



নক্সা ১.২১
*এখন প্ৰাচীন জাননী ফলকৰ আখৰবোৰ*

## ৭. চিল-মোহৰ, লিপি আৰু ওজনসমূহ

### ৭.১ চিল-মোহৰ আৰু ইয়াৰ ব্যৱহাৰ

দূৰদূৰণিৰ সৈতে যোগাযোগৰ সুবিধাৰ বাবে চিল আৰু পাঞ্জা তথা মোহৰ মাৰি দিয়া ব্যৱস্থাৰ প্ৰচলন হৈছিল। বয়-বস্তুৰে ভৰা মোনা এটা এঠাইৰ পৰা আন ঠাইলৈ পঠিওৱাৰ বিষয়ে কল্পনা কৰাচোন। দেখিবা যে, মোনাটোৰ মুখখন ৰচীৰে বন্ধ কৰি ৰচীৰ গাঁঠিটোত অলপ তিতি থকা আলতীয়া মাটিৰ এটা প্ৰলেপ দি ইয়াৰ ওপৰত এটা বা ততোধিক চিল-মোহৰৰ ছাপ দিয়া হৈছে। যদি গন্তব্য স্থানলৈকে মোনাটোৰ চিল-মোহৰ নিখুঁত অৱস্থাতে থাকে তেন্তে মোনাটো মাজপথত কোনেও খোলা নাই সেইটো প্ৰতিপন্ন হয়। তদুপৰি মোহৰ মৰাৰ ফলত এই মোনাটো কোনে পঠিয়াইছে সেইটো চিনাক্তকৰণৰো সুবিধা হয়।



নক্সা ১.২২
*পাঞ্জা তথা মোহৰ মাৰি দিয়া এটুকুৰা বোকামাটিৰ ছবি*
*প্ৰাপ্তিস্থান ঃ ৰোপাৰ*

➲ এই বোকামাটিৰ টুকুৰাত কেইটা চিল-মোহৰ মৰা হৈছে?

### ৭.২ সাঁথৰ যেন লগা লিপি

সাধাৰণতে, হৰপ্পাৰ চিল-মোহৰত যি এলানি লিপি থাকে ই সম্ভৱতঃ গৰাকীজনৰ নাম, পদবী আদি সূচায়। কেতিয়াবা এনে চিল-মোহৰত কিছুমান চিহ্ন (সাধাৰণতে জীৱ-জন্তুৰ) থাকে। পণ্ডিতসকলে এনে নক্সা বা প্ৰতীক চিহ্ন লিখা-পঢ়া নজনা লোকৰ সুবিধাৰ্থে পঠিওৱা হৈছিল বুলি অনুমান কৰে।

এনে লিপিৰ অধিকাংশ আছিল নাতিদীৰ্ঘ আৰু ইয়াৰ ভিতৰত আটাইতকৈ দীঘলখনত চিহ্নৰ সংখ্যা আছিল প্ৰায় ২৬টা। যদিও আজিকোপতি এই লিপিৰ পাঠোদ্ধাৰ হোৱা নাই, তথাপি এটা কথা নিশ্চিতভাৱে প্ৰমাণসহ বুজিব পাৰি যে ই আক্ষৰিক নহয়। কিয়নো অক্ষৰমালাৰ প্ৰতিটো অক্ষৰ স্বৰবৰ্ণ বা ব্যঞ্জনবৰ্ণৰ অন্তৰ্গত, কিন্তু হৰপ্পাৰ এনে চিহ্ন বহুতো— প্ৰায় ৩৭৫ৰ পৰা ৪০০ৰ ভিতৰত। এইটো ঠিক যে, হৰপ্পীয় লিপিবোৰ সোঁহাতৰ পৰা আৰম্ভ কৰি বাওঁহাতৰ পিনে লিখা হৈছে আৰু সেইবাবে, কিছুমান চিল-মোহৰ সোঁহাতে যথেষ্ট স্থান থাকি গৈছে যদিও বাওঁহাতলৈ স্থান ক্ৰমাৎ থেক হৈ আহিছে। ফলত, লিপিৰ সোঁদিশৰ চিহ্নবোৰ আহল-বহলভাৱে খোদিত হৈছে যদিও বাওঁদিশত ইয়াৰ আকাৰ নিয়ন্ত্ৰিত হৈছে। এইবোৰ দেখিলে জলজল পটপটকৈ বুজিব পাৰি যে, সোঁহাতৰ পৰা খোদাই কৰা ব্যক্তিজনে বাওঁ দিশলৈ আহি ঠাইৰ অভাৱত পৰিছিল।

কিমানবিধ বস্তুত লিপিবোৰ খোদিত হৈছিল মন কৰাচোন— চিল-মোহৰ, তামৰ সা-সঁজুলি, বৃত্তাকাৰ পাত্ৰৰ বৰ্হিপৰিধি, চৌকাঠ, তাম আৰু পোৰামাটিৰ ফলি, আ-অলংকাৰ, হাড়েৰে প্ৰস্তুত দণ্ড আৰু আনকি বিভিন্ন ফলকতো লিপি পোৱা গৈছে। মনত ৰাখিবা যে, এইবোৰৰ উপৰি, আন ভালেমান ক্ষয়িষ্ণু বস্তুটো এনে লিপি থকাটো সম্ভৱ। ইয়াৰ দ্বাৰা সেইকালত আক্ষৰিক জ্ঞানে বহলভাৱে বিস্তৃতি লাভ কৰিছিল বুলি আমি ধাৰণা কৰিব পাৰো— নহয়নে বাৰু?

➲ আলোচনা কৰা...

দূৰদূৰণিৰ সৈতে বয়বস্তু সাল-সলনি কৰিবলৈ বৰ্তমান যিবোৰ ব্যৱস্থা প্ৰচলিত হৈছে তাৰে কেইটামান উল্লেখ কৰা। এই ব্যৱস্থাৰ সুবিধা আৰু অসুবিধাসমূহ কি কি?

### ৭.৩ ওজন

চার্ট (Chert) তথা ক্ষীৰপ্ৰস্তৰ নামেৰে এবিধ শিলেৰে প্ৰস্তুত ওজনৰ দ্বাৰা এক নিৰ্দিষ্ট আৰু যথাযথ পদ্ধতিৰে বয়বস্তুৰ ক্ৰয়-বিক্ৰয় নিয়ন্ত্ৰিত হৈছিল। ওজনবোৰ সাধাৰণতে আছিল ঘনাকাৰ (নক্সা ১.২৩ দ্ৰষ্টব্য) আৰু কোনোধৰণৰ চিহ্ন নথকা। নিম্ন ওজনৰ ক্ষেত্ৰত যুগ্ম সংখ্যা ১, ২, ৪, ৮, ১৬, ৩২ ইত্যাদিৰ পৰা আৰম্ভ কৰি ১২,৮০০ লৈ) আৰু উচ্চ ওজনৰ বাবে দশমিক পদ্ধতি ব্যৱহৃত হৈছিল। নিম্ন ওজনবোৰ সম্ভৱতঃ আ-অলংকাৰ আৰু মণি-আদি জুখিবলৈ ব্যৱহৃত হৈছিল। ইয়াৰ বাহিৰেও ধাতু নিৰ্মিত ভালেমান তুলাচনীও আৱিস্কৃত হৈছে।



*নক্সা ১.২৩*
*এজন পুৰোহিত ৰজা*

## ৮. প্ৰাচীন কৰ্তৃত্ব

হৰপ্পাৰ সমাজে কিছুমান জটিল সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে সেইবোৰ হাতে-কামে কৰি দেখুওৱাৰ ইঙ্গিত পোৱা গৈছে। উদাহৰণস্বৰূপে মাটিৰ মাত্ৰ (নক্সা ১.১৪), চিল-মোহৰ, ওজন, ইটা আদিৰ ক্ষেত্ৰত থকা অসাধাৰণ সামঞ্জস্যলৈ আঙুলিয়াব পাৰি। মন কৰিবলগীয়া যে, ইটাবোৰ নিশ্চয় কোনো এটা বিশেষ কেন্দ্ৰত উৎপাদন হোৱা নাছিল যদিও, জম্মুৰ পৰা গুজৰাটলৈকে বিস্তৃত এলেকাত আৱিস্কৃত আটাইবোৰ ইটাৰ একৰূপ আৰু ইয়াৰ অনুপাতো এক। আমি এইটোও দেখিছো যে, কিছুমান কাৰণবশতঃ ইয়াৰ জনবসতিসমূহ কোনো এক নিৰ্দিষ্ট স্থানত পৰিকল্পিত কৌশলেৰে স্থাপিত হৈছে। তদুপৰি, ইটা তৈয়াৰ আৰু বৃহদাকাৰৰ প্ৰচীৰ বা ভেটি সাজিবলৈ প্ৰয়োজনীয় শ্ৰমিকো সংগঠিতভাৱে সঞ্চালিত কৰা হৈছিল।

এই কামবোৰ কোনে সংগঠিতভাৱে তদাৰক কৰিছিল বাৰু?

### ৮.১ ৰাজপ্ৰসাদ আৰু ৰজাসকল


আমি যদি ক্ষমতাৰ মূলকেন্দ্ৰ বা ক্ষমতাত থকা ব্যক্তিসকলক জানিবলৈ বিচাৰো, তেন্তে এইক্ষেত্ৰত পুৰাতাত্বিক বিৱৰণে তৎক্ষণাৎ উত্তৰ দিব। বিশেষ কোনো দৰ্শনীয় বস্তু দৃষ্টিগোচৰ নহ'লেও মহেনজোদাৰোত আৱিস্কৃত এটা বিৰাট অট্টালিকাক পুৰাতত্ত্ববিদসকলে ৰাজপ্ৰাসাদ বুলি ক'বলৈ বিচাৰিছিল। একেধৰণে শিলৰ মূৰ্তি এটাকো ভালেমান দিনলৈ অভিহিত কৰা হৈছিল 'পুৰোহিত ৰজা' বুলি। এনে কৰাৰ কাৰণ এইটোৱেই যে, মেছ'পটেমিয়াৰ ইতিহাসৰ সৈতে পৰিচিত এইসকল পুৰাতত্ত্ববিদে সেই দেশৰ পুৰোহিত ৰজাৰ বিষয়ে জানিছিল আৰু সেইবাবে সিন্ধু অঞ্চলত প্ৰাপ্ত কিছুমান মূৰ্তি মেছ'পটেমিয়াৰ মূৰ্তিৰেই প্ৰতিৰূপ বুলি ভাবিছিল। কিন্তু হৰপ্পীয় সভ্যতাৰ ধৰ্মীয় ৰীতি-নীতি সম্বন্ধে এতিয়াও সম্পূৰ্ণ জ্ঞান আহৰণ কৰিব পৰা হোৱা নাই আৰু সেইবাবে এনে ৰীতি-নীতি পালন কৰোতাসকলৰ কিবা ৰাজনৈতিক ক্ষমতা আছিল নে নাই, সেইটোও আমাৰ জ্ঞাত নহয়।

কোনো কোনো পুৰাতত্ত্ববিদৰ মতে হৰপ্পীয় সমাজত কোনো ৰজা নাছিল। আৰু ইয়াৰ প্ৰত্যেকজন ব্যক্তিয়েই ভোগ কৰিছিল সমমৰ্যাদা। কোনো কোনোৱে আকৌ ভাবে যে, হৰপ্পা অঞ্চলত এজন নহয়— বহুবোৰ ৰজা আছিল। যেনে— হৰপ্পাত এজন, মহেনজোদাৰোত আন এজন ইত্যাদি। তথাপি সমগ্ৰ অঞ্চলটোত

আলোচনা কৰা...
হৰপ্পীয় সমাজত প্ৰত্যেকজন ব্যক্তিকেই সমান বুলি গণ্য কৰা হৈছিলনে?

প্ৰাপ্ত হস্তনির্মিত দৈনন্দিন জীৱনৰ সা-সঁজুলিবোৰৰ সামঞ্জস্য, সু-পৰিকল্পিত জনবসতি, ইটাবোৰৰ সমান আকৃতি আৰু অনুপাত আৰু কেঁচা সামগ্রীৰ উৎসৰ ওচৰত বসতিস্থান আদিলৈ আঙুলিয়াই কোনো কোনো পণ্ডিতে ইয়াত এখনেই ৰাজ্য আছিল বুলি ক'বলৈ প্ৰয়াস কৰিছে। অৱশ্যে, বৰ্তমানৰ পটভূমিত প্ৰথম দৃষ্টিত ওপৰে ওপৰে চালে এই শেষৰ মতামতটো অতি সঙ্গত যেন লাগিলেও, হৰপ্পা অঞ্চলৰ সমূহ জনগোষ্ঠীয়ে একগোট হৈ এনে জটিল সিদ্ধান্তবোৰ গ্ৰহণ কৰি তাক বাস্তৱত ৰূপায়িত কৰিছিল বুলি মানি লোৱাটো টান।

## ৯. হৰপ্পীয় সভ্যতাৰ অৱলুপ্তি




আনুমানিক খ্ৰীষ্টপূৰ্ব ১৮০০ শতাব্দীত চোলিস্তানকে আদি কৰি হৰপ্পাৰ সৰহভাগ পূৰ্বৰ সভ্যতাৰ স্থান জনবসতিশূন্য হৈ পৰিছিল। আনহাতে, একে সময়তে গুজৰাট, হাৰিয়ানা আৰু উত্তৰপ্ৰদেশৰ উত্তৰাঞ্চললৈ জনস্ৰোত বিয়পি পৰা দেখা গৈছিল।

খ্ৰীষ্টপূৰ্ব ১৯০০ মানলৈকে হৰপ্পাৰ যিবোৰ স্থানত জনবসতি আছিল সেইবোৰত সমকালীন সভ্যতাৰ বৈশিষ্ট্যপূৰ্ণ হস্তনির্মিত সা-সঁজুলিবোৰৰ অৱলুপ্তি ঘটাটোৱে প্ৰাসঙ্গিক সভ্যতাৰ বিৱৰ্তনৰ সূচনা কৰিছিল যেন লাগে। সাধাৰণভাৱে দুই-এপদ বস্তু তৈয়াৰ কৰিবলৈ অলপ-অচৰপ ব্যৱহাৰিক উপাদানৰহে প্ৰয়োজন হৈছিল। গৃহনির্মাণ প্ৰযুক্তি কৌশলসমূহৰো মানৰ হ্ৰাস ঘটিছিল আৰু পূৰ্বৰ দৰে বৃহদাকাৰ ৰাজহুৱা অট্টালিকাবোৰ এতিয়া নিৰ্মাণ নহৈছিল। মুঠৰ ওপৰত এতিয়াৰ হস্তনির্মিত সা-সঁজুলি আৰু জনবসতিবোৰে যিটো গ্ৰাম্যজীৱন যাপনৰ ইঙ্গিত বহন কৰিছিল তাক 'পৰৱৰ্তী হৰপ্পীয়' নাইবা 'উত্তৰাধিকাৰী সংস্কৃতি' বুলি ক'ব পাৰি। কিহৰ বাবে এই পৰিৱৰ্তন ঘটিল? এই প্ৰশ্নৰ উত্তৰত ভালেমান ব্যাখ্যা আগবঢ়োৱা হৈছে। জলবায়ু আৰু পৰিৱেশৰ পৰিৱৰ্তনৰ পৰা আৰম্ভ কৰি বনাঞ্চল ধ্বংসকৰণ, ভয়াবহ বানপানী, নৈসমূহৰ গতি পৰিৱৰ্তন নাইবা ক্ৰমাৎ অনাদৃত কুঞ্জবনৰ অত্যধিক ব্যৱহাৰলৈকে বহুবোৰ কাৰণ ইয়াৰ বাবে জগৰীয়া কৰা হৈছে। এনেধৰণৰ কিছুমান কাৰণবশতঃ কোনো কোনো জনবসতিৰ অৱলুপ্ত ঘটিব পাৰে সঁচা, কিন্তু সমগ্ৰ হৰপ্পীয় সভ্যতাৰ পতনৰ কাৰণ হ'ব নোৱাৰে।

এনেহে লাগে যে, সকলোকে ঐক্যবদ্ধ কৰি ৰাখিব পৰা শক্তি এটা, যিটোক সম্ভৱতঃ হৰপ্পা ৰাজ্য বুলিব পাৰি, সেই শক্তিটোৰো সমাপ্তি ঘটিল। চিলমোহৰ, লিপি আৰু বৈশিষ্ট্যপূৰ্ণ মানবিশিষ্ট মণি, মাটিৰ পাত্ৰ আদিৰ অন্তৰ্ধান, সমানুপাতৰ ওজন পদ্ধতিৰ ঠাইত স্থানীয় ওজনৰ ব্যৱহাৰ, নগৰসমূহৰ পৰিত্যক্ত অৱস্থা আৰু অৱনতি আদিয়ে এনে এক বিলুপ্তিৰেই সাক্ষ্য বহন কৰে। সম্পূৰ্ণ পৃথক এক অঞ্চলত কিছুমান নগৰৰ অভ্যুত্থানৰ বাবে উপমহাদেশখনে এতিয়া এহেজাৰৰো অধিক কাল বাট চাব লাগিব।

উৎস ২

## এটা আক্ৰমণৰ প্ৰমাণ

'মৃতকৰ নিৰ্দিষ্ট পথ' হ'ল এটা লুংলুঙীয়া পথ, ইয়াৰ প্ৰশস্ততা একে নহয়— ঠায়ে ঠায়ে ৩ৰ পৰা ৬ ফুটলৈকে বহল... যি স্থানত গৈ এই পথটো উত্তৰমুখী হৈছে সেই ঠাইৰ ৪ ফুট ২ ইঞ্চি গভীৰতাৰ এটা গাঁতত এজন সাবালক মনুষ্য দেহৰ লাওখোলাৰ কিছু অংশ, বক্ষস্থলৰ হাড় আৰু বাহু সহজে চূৰ্ণ হ'ব পৰা অৱস্থাত আৱিষ্কৃত হৈছে। ওপৰমুৱাকৈ থকা মৃতদেহটো পথটোৰ আনটো পাৰত আছিল। ইয়াৰ পশ্চিমত প্ৰায় ১৫ ইঞ্চিৰ দূৰত্বত এটা ক্ষুদ্ৰ লাওখোলাৰ কেইটামান টুকুৰাও পোৱা গৈছে। এনেদৰে মৃতদেহৰ অৱশিষ্ট থকাৰ বাবে পথটোৱে 'মৃতকৰ নিৰ্দিষ্ট পথ' নাম পাইছিল।

ছাৰ জন মাৰ্শ্বালৰ *'মহেঞ্জোদাৰো এণ্ড ইন্দাছ চিভিলিজেছন'* (*Mohenjodaro and Indus Civilisation*) শীৰ্ষক পুথিৰ পৰা উদ্ধৃতি দিয়া হৈছে।

১৯২৫ চনত মহেনজোদাৰোৰ সেই একে স্থানত মৃত্যুৰ সময়ত পিন্ধি থকা অলঙ্কাৰৰ সৈতে যোল্লটা নৰকঙ্কাল আৱিষ্কৃত হৈছে।

ভালেমান দিনৰ পিছত ১৯৪৭ চনত ভাৰত চৰকাৰৰ পুৰাতাত্ত্বিক অনুসন্ধান বিভাগৰ সঞ্চালকপ্ৰধান আৰ এম হুইলাৰে হৰপ্পাত প্ৰাপ্ত এইধৰণৰ পুৰাতাত্ত্বিক সাক্ষ্যসমূহ ভাৰত উপমহাদেশৰ আটাইতকৈ প্ৰাচীন পুথি ঋক্‌বেদৰ সভ্যতাৰ সৈতে সংযুক্ত কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ লিখিছিল যে— ঃ

'পুৰ' শব্দটো ঋক্‌বেদত উল্লেখিত হৈছে আৰু ইয়াৰ অৰ্থ হ'ল দুৰ্গৰ প্ৰতিৰক্ষামূলক পকী গড় তথা শক্তিকেন্দ্ৰ। আৰ্যদেৱতা ইন্দ্ৰ আছিল 'পুৰমদাৰ' অৰ্থাৎ দুৰ্গ ধ্বংসকাৰী।

এই দুৰ্গবোৰ এতিয়া ক'ত— নাইবা, আগতে ক'ত আছিল? কিছুদিন পূৰ্বে এইবোৰ কাল্পনিক আখ্যান যেন লাগিলেও হৰপ্পাৰ খনন কাৰ্যই এই ভাবধাৰাৰ পৰিৱৰ্তন ঘটাইছে যেন লাগে।... এই স্থানত আমি সুদৃঢ় সুৰক্ষা ব্যৱস্থাৰ বাবে জনাজাত এক উচ্চমানৰ অনাৰ্য সভ্যতাই গা কৰি উঠাৰ সন্ধান পাইছো... কি কাৰণবশতঃ এই সু-প্ৰতিষ্ঠ সভ্যতা ধ্বংস হ'ল? পৰিৱেশিক, অৰ্থনৈতিক নাইবা ৰাজনৈতিক অৱক্ষয়ে এই সভ্যতাক দুৰ্বল কৰিব পাৰে বুলি ভাবিলেও ইয়াৰ শেষ বিলুপ্তি প্ৰধানতঃ ইচ্ছাকৃত আৰু ভয়ঙ্কৰ ধ্বংসমূলক ঘটনাৰ বাবেহে সংঘটিত হৈছিল যেন অনুমান হয়। যিয়ে যি মতামত নিদিয়ক কিয়, পৰৱৰ্তী কালত মহেনজোদাৰোৰ মুনিহ-তিৰোতা আৰু শিশুৰ নিৰ্বিচাৰ গণহত্যাৰ আঁৰত নিশ্চয় কিবা বিশেষ কাৰণ লুকাই আছিল। প্ৰত্যক্ষ প্ৰমাণৰ অভাৱত পৰিস্থিতিমূলক প্ৰমাণৰ আধাৰত এইক্ষেত্ৰত আমি ইন্দ্ৰদেৱতাকে দোষী সাব্যস্ত কৰিব পাৰো।

আৰ.ই.এম হুইলাৰৰ 'হৰপ্পা, ১৯৪৬' (Harappa, 1946) আৰু *প্ৰাচীন ভাৰত, ১৯৪৭* (*Ancient India, 1947*)ৰ পৰা উদ্ধৃত।

মহেনজোদাৰোৰ গণহত্যাৰ প্ৰমাণৰ বিষয়ে ১৯৬০ চনত জৰ্জ ডালেছ নামৰ এজন পুৰাতত্ত্ববিদে প্ৰশ্ন তুলিছে। তেওঁ সেই স্থানত প্ৰাপ্ত কঙ্কালবোৰ প্ৰদৰ্শন কৰি কৈছে যে, সেইবোৰ কোনো এক নিৰ্দিষ্ট কালৰ নহয়।

কেইটামান এনে নৰকঙ্কাল নিশ্চিতভাৱে হত্যাৰ বলি যেন লাগিলেও এই প্ৰসঙ্গত উল্লেখিত কঙ্কালবোৰৰ অধিক সংখ্যক হাড়-মূৰ কিছুমান অপৰিপাটী আৰু অৱজ্ঞাসূচকভাৱে খন্দা গাঁতৰ পৰা উদ্ধাৰ হৈছে। নগৰখনত হৰপ্পীয় সভ্যতাৰ শেষ কালছোৱাত কোনো ধৰণৰ ধ্বংসাত্মক ঘটনা বা বহুলভাৱে সংঘটিত অগ্নি সংযোগৰ প্ৰমাণ নাই; নাই অস্ত্ৰ-শস্ত্ৰৰে পৰিৱেষ্টিত বা বৰ্ম পৰিহিত কোনো যোদ্ধা। নগৰখনৰ একমাত্ৰ সুৰক্ষিত স্থান তথা দুৰ্গসমূহতো শেষ প্ৰতিৰক্ষাৰ কোনো ধৰণৰ ইঙ্গিত পোৱা নাযায়।

জি এফ ডালেছৰ 'দি মিথিকেল মেছেকাৰ এট্ মহেনজোদাৰো' (The Mythical Massacre of Mohenjodaro) শীৰ্ষক পুথিৰ দ্বিতীয় সংস্কৰণ (১৯৬৪)ৰ পৰা উদ্ধৃত।

তোমালোকে নিশ্চয় মন কৰিছা যে, আমাৰ হাতত থকা তথ্যসমূহ অতি সাৱধানতাৰে সৈতে পুনৰ পৰীক্ষা কৰিলে কেতিয়াবা ইয়াৰ পূৰ্বৰ অৰ্থৰ বিপৰীত অৰ্থহে ওলায়।

### আলোচনা কৰা...

১. ২ আৰু ৩ নম্বৰৰ মানচিত্ৰসমূহত কি কি সাদৃশ্য আৰু বৈসাদৃশ্য আছে?


## ১০. হৰপ্পীয় সভ্যতাৰ আৱিস্কাৰ

পুৰাতাত্ত্বিকসকলে হৰপ্পাৰ খননকাৰ্যৰ ফলত প্ৰাপ্ত পাৰ্থিৱ অৱশিষ্টসমূহ জোৰা লগাই যি এক চিত্তাকৰ্ষক ইতিহাস ৰচনা কৰিছে কেৱল তাৰ ওপৰত নিৰ্ভৰ কৰিহে আমি ইমানদিনে সেই সভ্যতাৰ ৰেহৰূপ নিৰীক্ষণ কৰিছোহঁক। কিন্তু ইয়াৰ আন এটা কাহিনীও আছে আৰু সেইটো হ'ল— পুৰাতত্ত্ববিদসকলেনো কেনেকৈ সেই সভ্যতা 'আৱিস্কাৰ' কৰিছিল?

যেতিয়া হৰপ্পাৰ নগৰসমূহৰ অৱক্ষয় ঘটিল তেতিয়া মানুহেও এইবোৰৰ বিষয়ে ক্ৰমাৎ পাহৰিব ধৰিলে। প্ৰায় হাজাৰ বছৰ উকলি যোৱাৰ পিছত উক্ত স্থানত মানুহে যেতিয়া পুনৰ বসতি আৰম্ভ কৰিলে তেতিয়া কেতিয়াবা খেতিৰ মাটি চহাওতে বা গুপ্ত সম্পদ বিচাৰি গাঁত খান্দোতে নাইবা ভূমিস্খলন বা বানপানীত উটি-ভাহি অহা কিছুমান হস্তনিৰ্মিত সা-সঁজুলি পাবলৈ ধৰিলে তেতিয়া এই অচিনাকি বস্তুবোৰেদিনো কি কৰিব ভাবি নাপালে।

### ১০.১ কুনিঙঘামৰ বিভ্ৰান্তি

ভাৰত চৰকাৰৰ পুৰাতাত্ত্বিক অনুসন্ধান বিভাগৰ সঞ্চালকপ্ৰধান কুনিঙঘাম ১৯ শতিকাৰ মধ্যভাগত যেতিয়া খনন কাৰ্য আৰম্ভ কৰিছিল, তেতিয়া সমকালীন পুৰাতত্ত্ববিদসকলে অনুসন্ধান কাৰ্যৰ পথ প্ৰদৰ্শক হিচাপে নিৰ্ভৰ কৰিছিল। প্ৰাচীন সাহিত্য আৰু লিপিসমূহৰ ওপৰত দৰাচলতে কুনিঙঘাম মুখতঃ আগ্ৰহী আছিল খ্ৰীষ্টপূৰ্ব প্ৰায় ষষ্ঠৰ পৰা খ্ৰীষ্টিয় চতুৰ্থ শতিকা আৰু তাৰ পৰৱৰ্তী কালৰ পুৰাতাত্ত্বিক অধ্যায়তহে। খ্ৰীষ্টিয় চতুৰ্থৰ পৰা সপ্তম শতিকাৰ ভিতৰত উপমহাদেশখনলৈ অহা চীনদেশীয় বৌদ্ধ ভ্ৰমণকাৰীসকলে লিখা বিৱৰণসমূহৰ ওপৰত নিৰ্ভৰ কৰি তেওঁ প্ৰাচীন লোকালয় তথা জনবসতিবোৰৰ পম খেদি ফুৰিছিল। অনুসন্ধান কাৰ্য চলাওঁতে তেওঁ পুৰণি ঘটনা সঠিকভাৱে লিখা ভালেমান লিপি আৰু লিপিসমূহৰ ভাঙনি সংগ্ৰহ কৰাও দৃষ্টিগোচৰ হৈছিল। খনন কাৰ্য চলোৱাৰ সময়ত যিবোৰ হস্তনিৰ্মিত নিজ ব্যৱহাৰ্য সা-সঁজুলি ওলাইছিল সেইবোৰৰ ভিতৰত সাংস্কৃতিক মূল্য থকা যেন লগাবোৰ পুনৰ উদ্ধাৰত তেওঁ যথেষ্ট মনোনিৱেশ কৰিছিল।



নক্সা ১.২৪
*কুনিঙঘামৰ দ্বাৰা অঙ্কিত হৰপ্পাৰ প্ৰথমটো চিল-মোহৰৰ ছবি।*

যিহেতু হৰপ্পাক প্ৰাচীন ইতিহাসৰ এখন গুৰুত্বপূৰ্ণ স্থান বুলি চীনা পৰিব্ৰাজকসকলে নাজানিছিল আৰু এই ঠাইখন তেওঁলোকৰ ভ্ৰমণ দিনপঞ্জীৰো অন্তৰ্গত নাছিল; সেইহেতু, কানিঙহামৰ অনুসন্ধান ঠাঁচতো হৰপ্পাই পৰিষ্কাৰ বাবে খাপ খব পৰা নাই। সেইবাবে যদিও ১৯ শতিকাত হৰপ্পাৰ যথেষ্ট সা-সঁজুলি আৱিস্কাৰ হৈছিল আৰু ইয়াৰে কিছুমান কাণিংহামৰ হাততো পৰিছিল। তেওঁ সেইবোৰনো কিমান পুৰণি সেইটো বুজা নাছিল।

এবাৰ এজন ইংৰাজ লোকে হৰপ্পাৰ এটা চিল-মোহৰ কুনিঙঘামক দিয়াত তেওঁ বস্তুটো নিৰীক্ষণ কৰি তাক তেওঁ জ্ঞাত সময়ৰেখাত অন্তৰ্ভুক্ত কৰিবলৈ গৈ বিফল হৈছিল। ইয়াৰ কাৰণ হ'ল আন বহুজনৰ দৰে কুনিঙঘামেও গঙ্গা উপত্যকাত প্ৰথম নগৰীসমূহ স্থাপিত হোৱা কালৰ পৰাহে ভাৰতৰ ইতিহাস আৰম্ভ হৈছিল বুলি মনত এটা ভ্ৰান্ত ধাৰণা পুহিছিল। (দ্বিতীয় বিষয়বস্তুত চোৱা)। কুনিঙঘামৰ কাৰ্যকলাপত এনেধৰণৰ ধৰাবন্ধা আকৰ্ষণৰ বিষয়ে জনাৰ পিছত তেওঁ হৰপ্পাৰ যথাৰ্থতা নুবুজাত আচৰিত হ'বলগীয়া একো নাই।

### স্থান, স্তূপ আৰু স্তৰসমূহ

উৎপাদন, বয়-বস্তুৰ ব্যৱহাৰ পৰিত্যক্ত সামগ্ৰী আৰু গঠন বিন্যাসক লৈ পুৰাতাত্ত্বিক স্থানসমূহ গঠিত হয়। যেতিয়া কোনো এক লোকালয় তথা জনবসতি একে ঠাইতে বহুদিন বসবাস কৰে আৰু সেই ভূ-খণ্ডত বিৰামহীনভাৱে ব্যৱহৃত আৰু পুনঃ ব্যৱহৃত হয়, তেতিয়া তেনে ঠাইত কোনো কাৰ্য বা বৃত্তিৰ ফলত বহু পৰিমাণৰ জাবৰ-জোঁথৰ গোট খায় আৰু তেনে ধৰণে গোট খোৱা জাবৰকে জাবৰৰ দ'ম বা স্তূপ তথা থূপ বোলা হয়। সামান্য নাইবা স্থায়ীভাৱে কোনো ভূ-অঞ্চল ত্যাগ কৰিলে বতাহ-পানীৰ কাৰ্যকলাপ আৰু গৰাখহনিয়াই সেই স্থানৰ পৰিৱৰ্তন ঘটায় ভূ-স্তৰৰ আৱিষ্কৃত পুৰণি বয়-বস্তুৰ দ্বাৰা মানুহৰ বৃত্তি সম্বন্ধেও সম্ভেদ উলিওৱা হয়। মন কৰিবলগীয়া যে, ভূ-স্তৰবিলাকৰ বৰণ, ঠাঁচ আৰু তাত প্ৰাপ্ত সা-সঁজুলি ইটোৰ সৈতে সিটোৰ মিল নাই। পৰিত্যাগ কৰা বা পৰিত্যক্ত অৱস্থাত থকা ভূ-খণ্ডক অনুৰ্বৰ স্তৰ বোলা হয় আৰু ওপৰত উল্লিখিত বয়-বস্তুৰ কোনো চিন-মোকাম নাথাকিলে তেনে স্তৰক ইয়াৰ অন্তৰ্গত কৰিব পাৰি।


সাধাৰণতে, আটাইতকৈ নিম্নভাগত থকা ভূ-খণ্ডক প্ৰাচীনতম আৰু সবাতোকৈ উচ্চ ভাগক সমকালীন বোলা হয়। স্তৰ সম্বন্ধীয় অধ্যয়নক বোলা হয় স্তৰ বিন্যাস বিজ্ঞান (Stratigraphy) আৱিষ্কৃত হস্তনিৰ্মিত সা-সঁজুলিবোৰ নিৰ্দিষ্ট সাংস্কৃতিক কালৰ অন্তৰ্গত কৰি ইয়াৰ সাংস্কৃতিক ধাৰাবাহিকতা নিৰ্ণয় কৰা হয়।

## ১০.২ নব্য প্ৰাচীন সভ্যতা

দৰাচলতে, কুৰি শতিকাৰ আগভাগত দয়াৰাম চাহানিৰ দৰে পুৰাতত্ত্ববিদে হৰপ্পাৰ যিবোৰ ভূমিস্তৰত চিল-মোহৰ আৱিস্কাৰ কৰিছিল নিঃসন্দেহে সেইবোৰৰ বিন্যাস প্ৰাচীন এতিহাসিক স্তৰবোৰ গঠনৰ বহুকাল পূৰ্বেই ঘটিছিল। বাস্তৱিকতে, তেতিয়াহে সকলোৱে এই আৱিস্কাৰৰ গূঢ় তাৎপৰ্য উপলব্ধি কৰিছিল। আন এজন পুৰাতত্ত্ববিদ ৰাখাল দাস বন্দোপাধ্যায়ে মহেনজোদাৰতো একে ধৰণৰ চিল-মোহৰ পোৱাত এই ঠাইবোৰ একেটা পুৰাতাত্ত্বিক সংস্কৃতিৰ অঙ্গ বুলি এটা ধাৰণাৰ সৃষ্টি হৈছিল। এইবোৰ আৱিস্কাৰৰ ওপৰত ভিত্তি কৰি ১৯২৪ চনত পুৰাতাত্ত্বিক অনুসন্ধান বিভাগৰ সঞ্চালকপ্ৰধান জন মাৰ্ম্বেলে সিন্ধু উপত্যকাত এটা নতুন সভ্যতাৰ সম্ভেদ পোৱা কথা সমগ্ৰ পৃথিৱীক অৱগত কৰিছিল। এছ এন ৰায়ে 'দি ষ্টৰী অব্ ইণ্ডিয়ান আৰ্কিয়ল'জী' (The Story of Indian Archeology) শীৰ্ষক পুথিত উল্লেখ কৰাৰ দৰে সঁচাকৈয়ে 'মাৰ্শ্বালে (পূৰ্বতে) দেখা ভাৰতবৰ্ষখনতকৈ এতিয়া তিনিহাজাৰ বছৰৰ অধিক বয়সীয়া ভাৰতবৰ্ষ এখন (আমাক) দি থৈ গ'ল।' এছ এন ৰায়ৰ এনে উক্তিৰ মূলতে আছিল মহেনজোদাৰোৰ খনন কাৰ্যত এতিয়ালৈকে চিনাক্ত চিল-মোহৰৰ আৱিস্কাৰ। এতিয়াহে সমগ্ৰ পৃথিৱীয়ে জানিলে যে কেৱল মাত্ৰ এটা নতুন সভ্যতা আৱিস্কৃত হোৱা নাই, তাতোকৈ অধিক গুৰুত্বপূৰ্ণ বিষয় হৈছে যে এই সভ্যতা হ'ল মেছ'পটেমিয়াৰ সভ্যতাৰ সমকালীন।

প্ৰকৃতপক্ষে ভাৰতৰ পুৰাতত্ত্ব অনুসন্ধান বিভাগৰ সঞ্চালকপ্ৰধান জন মাৰ্শ্বালৰ নিয়ন্ত্ৰণে পুৰাতত্ত্ব অধ্যয়নৰ ক্ষেত্ৰত এটা ডাঙৰ পৰিৱৰ্তনৰ সূচনা দিছিল, তেওঁ আছিল ভাৰতত কাম কৰা প্ৰথমজন বৃত্তিধাৰী পুৰাতত্ত্ববিদ। গ্ৰীচ আৰু ক্ৰীটৰ খনন কাৰ্যৰ অভিজ্ঞতাৰে পৰিপুষ্ট মাৰ্শ্বালে ভাৰতত তেওঁৰ এই অভিজ্ঞতা হাতে-কামে খটুৱাইছিল। তাতোকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল যে, যদিও কুনিঙঘামৰ দৰে তেৰোঁ কিছুমান দৰ্শনীয় বস্তুৰ প্ৰতি আগ্ৰহ প্ৰদৰ্শন কৰিছিল, কাৰ্যতঃ দৈনন্দিন জীৱনৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহৰ বিষয়ে জানিবলৈ তেওঁ সমানে উৎসুক আছিল।

সমমানৰ নিয়মিত কাৰিকৰী গোটসমূহৰ লগত খনন কাৰ্য চলাবলৈ মন কৰা মাৰ্শ্বালে খনন স্থলত স্তৰ বিন্যাস বিজ্ঞানক আওকাণ কৰি আদিৰ পৰা অন্তলৈকে স্তূপ বা জাবৰ-জোঁথৰৰ দ'মবোৰ গোটসমূহৰ সৈতে সামঞ্জস্য ৰাখি জুখিছিল। অৰ্থাৎ স্তৰ বিন্যাস বিজ্ঞানলৈ পিঠি দি তেওঁ কোনো এটা গোটে সা-




*নক্সা ১.২৫*
*ক্ষুদ্ৰ স্তূপৰ স্তৰ বিন্যাসৰ ছবি*
*লক্ষ্যণীয় যে, ইয়াৰ স্তৰসমূহ সমমানৰ নহয়*

সঁজুলিবোৰ বিভিন্ন ভু-স্তৰত পালেও, সেইবোৰ একেলগে থুপীকৃত কৰিছিল। ফলস্বৰূপে, এইবোৰৰ পূৰ্বাপৰ বা আনুষঙ্গিক বৃত্তান্তসমূহৰ সংশোধনাতীত ক্ষতি হৈছিল।

### ১০.৩ নতুন প্ৰযুক্তি কৌশল আৰু প্ৰশ্নসমূহ

১৯৪৪ চনত ভাৰত চৰকাৰ পুৰাতত্ত্ব অনুসন্ধান বিভাগৰ সঞ্চালকপ্ৰধান হিচাপে যোগদান কৰা আৰ ই এম হুইলাৰে ওপৰত উল্লিখিত সমস্যাটো পৰিশোধিত কৰিছিলহি। কিছুমান সমমানৰ ৰেখাৰ কাষে কাষে যন্ত্ৰবৎ খনন চলোৱাতকৈ যে স্তৰ বিন্যাস বিজ্ঞানৰ পদ্ধতিৰে এই কাৰ্য সমাধা কৰা যুগুত হুইলাৰে সেইটো বুজিছিল। তদুপৰি এজন ভূতপূৰ্ব উচ্চ সামৰিক বিষয়া (ব্ৰিগেডিয়াৰ) হোৱা হেতুকে তেওঁ পুৰাতাত্ত্বিক বিষয়টোৰ ক্ষেত্ৰতো নিৰ্ভুল অধ্যয়নৰ অভ্যাসৰ ওপৰত জোৰ দিছিল।

হৰপ্পা সভ্যতাৰ সীমাৰেখা হয়তো কেতিয়াবা জাতীয় সীমা হিচাপে সামান্যভাৱে গণ্য হ'ব পাৰে কিন্তু, সচৰাচৰ বৰ্তমান কালৰ দৰে এনে সীমাৰ প্ৰশ্নৰ সৈতে সেই সময়ত কোনো সম্বন্ধ নাছিল। পিছলৈ অৱশ্যে উপ-মহাদেশখন বিভক্ত হৈ পাকিস্থানৰ জন্ম হোৱাত হৰপ্পাৰ অধিকসংখ্যক ঠাই পাকিস্তানৰ অন্তৰ্গত হ'ল। সেইবাবে বৰ্তমানৰ ভাৰতীয় পুৰাতত্ত্ববিদসকলে ভাৰতস্থ হৰপ্পা সভ্যতাৰ স্থানবোৰ বিচাৰিবলৈ তীব্ৰ গতিত অভিযান আৰম্ভ কৰিছে। ইতিমধ্যে, কুচ অঞ্চলত তন্ন তন্নকৈ অনুসন্ধান চলাই হৰপ্পীয় সভ্যতাৰ অন্তৰ্গত ভালেমান জনবসতি আৱিস্কৃত হৈছে। পাঞ্জাব আৰু হাৰিয়ানাৰ অভিযানেও হৰপ্পীয় সভ্যতাৰ স্থানৰ তালিকাত নতুন নতুন নাম সংযোজন কৰিছে। এহাতে, কালিবাঙ্গান, লোথাল, ৰাখি গৰ্হিৰ ওপৰি সম্প্ৰতি আৱিস্কৃত ধোলাভিৰাতো অনুসন্ধান আৰু খননকাৰ্য অব্যাহত আছে। আনহাতে, কিছুমান নতুন অনুসন্ধান এনে প্ৰচেষ্টাৰ অন্তৰ্গত হোৱা দেখা গৈছে।

যুগ যুগ ধৰি কিছুমান নতুন বিষয়েও গুৰুত্ব লাভ কৰিছে। এচাম পুৰাতত্ত্ববিদে এই সভ্যতাৰ সাংস্কৃতিক ধাৰাবাহিকতা বিচৰাত আগ্ৰহী হৈছে, আন এচামে বিশেষভাৱে নিৰ্দিষ্ট এনে ঠাইৰ অৱস্থিতিৰ সৈতে জড়িত যুক্তিসঙ্গত বিন্যাস বুজিবলৈ চেষ্টা কৰিছে। তদুপৰি, তেওঁলোকে উক্ত স্থানসমূহত আৱিস্কৃত সা-সঁজুলিবোৰো হেতা-ওপৰাকৈ সংগ্ৰহ কৰি সেইবোৰ কি কামত ব্যৱহৃত হৈছিল জানিবলৈ যত্নপৰ হৈছে।

১৯৮০ দশকৰ পৰা হৰপ্পাৰ পুৰাতাত্ত্বিক আৱিস্কাৰসমূহে আন্তৰ্জাতিক দৃষ্টি আকৰ্ষণ কৰিবলৈকো সক্ষম হৈছে। হৰপ্পা আৰু মহেনজোদাৰো উভয়তে উপ-মহাদেশৰ উপৰি দেশ-বিদেশৰ ভালেমান বিশেষজ্ঞই যুটীয়াভাৱে অভিযানত ব্ৰতী হৈছে। আধুনিক প্ৰযুক্তি কৌশলেৰে তেওঁলোকে ভূ-পৃষ্ঠত সাৱধানতাৰে পৰীক্ষণ-নিৰীক্ষণ চলাই বোকামাটি, শিল, ধাতু, উদ্ভিদ বা জীৱ-জন্তু সম্বন্ধে কিবা

#### হৰপ্পাত হুইলাৰৰ আগমন

পুৰণি পুৰাতত্ত্ববিদসকলে প্ৰায়ে দুঃসাহসিক কামৰ স্পৃহাৰ দ্বাৰা পৰিচালিত হৈছিল। হুইলাৰে পুৰাতত্ত্ব অনুসন্ধান বিভাগৰ সঞ্চালকপ্ৰধান হিচাপে প্ৰথম কামত যোগদান দিবলৈ হৰপ্পালৈ যোৱাৰ অভিজ্ঞতা সম্বন্ধে কি লিখিছে চোৱা যাওক ঃ

মোৰ মানসপটত ভাহি উঠা সেই দিনটো আছিল ১৯৪৪ চনৰ জহকালিৰ এটা দিন। 'হৰপ্পা' বুলি ফলক লগোৱা এটা সৰু ৰে'ল ষ্টেচনৰ পৰা স্থানীয় এজন মুছলমান বিষয়াৰ সৈতে এখন টাঙ্গাত উঠি প্ৰায় চাৰিমাইল দীঘল বালিৰ খাদেদি যোৱা সুৰসুৰীয়া পথটো অতিক্ৰম কৰি এখন প্ৰাচীন ঠাইত জোনৰ পোহৰেৰে উদ্ভাসিত কিছুমান স্তুপৰ প্ৰায় গাতে লাগি থকা এটা কণমানি আলহীঘৰ পাইছিলোগৈ। লগত অহা বিষয়াজন বৰ উদগ্ৰীৱ হৈ সঁকিয়াই গৈছিল যে কাইলৈ পুৱা আমি ৫-৩০ বজাতে আমাৰ পৰিদৰ্শন আৰম্ভ কৰি ৭-৩০ত শেষ কৰিবই লাগিব। কিয়নো তাৰ পিছত অত্যন্ত গৰম হ'ব। এইদৰে গৈ গৈ আমি ঘৰটোৰ প্ৰৱেশদ্বাৰত ধৈৰ্যৰে জুপুকা লাগি বহি থকা ক'লা দেহৰ পাঙ্খাৱালাৰ ওচৰ পালোগৈ। ইতিমধ্যে ওচৰৰ হাবিখনৰ জাক জাক শিয়ালৰ হুৱাই নিশাৰ বাহ বিদীৰ্ণ কৰিছিল।

পিছদিনা ৰাতিপুৱা ৫-৩০ বজাতেই আমাৰ ক্ষুদ্ৰ শোভাযাত্ৰাটো বালিৰ দ'মসমূহৰ দিশে আগবাঢ়িল। দহ মিনিটমান গৈয়েই মই ৰৈ গ'লো আৰু মোৰ দৃষ্টি কৰিল সন্মুখত থকা সৰ্বোস্ব স্তুপটোলৈ।— ৰ' লাগি স্তুপটোলৈ চাই থাকি মই মোৰ দৃষ্টিকেই যেন অবিশ্বাস কৰিবলৈ ল'লো আৰু চকু দুটা বাৰে বাৰে মোহাৰিবলৈ ধৰিলো। ছয় ঘণ্টা পাৰ হ'ল, কিন্তু তেতিয়াও মই আৰু মোৰ (দোধোৰ-মোধোৰত পৰা) সহকৰ্মীসকলে সূৰ্যৰ জাজ্বল্যমান পোহৰত গাইতি আৰু কটাৰী লৈ কাক কৰি থাকিলো।— সহকৰ্মীসকলে নিশ্চয় ভাবিছিল যে, এই বলিয়া চাহাবটোৱে এক দুৰ্বাৰ গতিত আগবাঢ়িবলৈ মনস্থ কৰিছে...।

আৰ ই এম হুইলাৰৰ 'মাই আৰ্কিয়লাজিকেল মিছন টু ইণ্ডিয়া এণ্ড পাকিস্তান, ১৯৭৬' (My Archeological Mission to India and Pakistan, 1976)ৰ পৰা উদ্ধৃত।

**আলোচনা কৰা...**

এই অধ্যায়ত থকা কোনবোৰ বিষয়বস্তুৱে কুনিগুঘামক অধিক আকৰ্ষণ কৰিলেহেঁতেন? ১৯৪৭ চনৰ পৰা তেওঁক উৎসুক কৰা বিষয়সমূহ কি কি?

সন্তেদ পাব পাৰে নেকি সেই চেষ্টা অব্যাহত ৰখাৰ লগতে এনে স্থানত প্ৰাপ্ত প্ৰাচীন নিৰ্মাণ কাৰ্যৰ অৱশিষ্ট ভগা-চিগা টুকুৰাবোৰো পুঙ্খানুপুঙ্খৰূপে বিশ্লেষণ কৰি চাইছে। এনে অভিযানসমূহৰ পৰা ভৱিষ্যতে নিশ্চিতভাৱে মনোগ্ৰাহী ফলাফল পোৱা যাব।

## ১১. অতীতৰ সৈতে জোৰা-তাপলি দিয়াৰ সমস্যা

আমি ইতিমধ্যে দেখিছো যে, প্ৰাচীন সভ্যতাৰ বিষয়ে বুজিবলৈ কেৱল যে হৰপ্পাৰ লিপিসমূহেহে সহায় কৰে এনে নহয়। বৰং সুস্পষ্ট বৈষয়িক প্ৰমাণসমূহেহে পুৰাতত্ত্ববিদসকলক জীৱন যাত্ৰাৰ প্ৰণালী সূক্ষ্মভাৱে অনুধাৱনৰ ক্ষেত্ৰত অধিক সহায় কৰি আহিছে। মাটিৰ পাত্ৰ, অস্ত্ৰ-শস্ত্ৰ, আ-অলংকাৰ, ঘৰ-সংসাৰৰ যাৱতীয় বয়-বস্তু, অন্যান্য জৈৱিক বা জৈৱ-ৰসায়নিক পদাৰ্থ যেনে কাপোৰ-কানি, জীৱ-জন্তুৰ ছাল, কাঠ, নল-খাগৰি, কাপোৰ বোৱা বাঁচ আদি সাধাৰণতে গ্ৰীষ্ম মণ্ডলৰ অন্তৰ্গত অঞ্চলত পঁচি যায়। কিন্তু শিল, পোৰা মাটি, ধাতু আদি পচনশীল নহয় বাবে তেনে বস্তুবোৰ এইদৰে নষ্ট নহয়।

মনত ৰখা আৱশ্যক যে, কেৱল ভগা-ছিগা আৰু অলাগতিয়াল বস্তুবোৰহে দলিয়াই পেলোৱা হয়। অন্যান্য বস্তুবোৰৰ ক্ষেত্ৰত একেটা বস্তুৰ পুনৰ সংঘটন ঘটোৱা হয় যেন লাগে। ফলত হস্তনিৰ্মিত যিবোৰ সামগ্ৰী অক্ষত অৱস্থাত পোৱা হয় সেইবোৰ অতীত কালতে হেৰাই যোৱা বা লুক্কায়িত হোৱাৰ বাবে সেইবোৰ সাধাৰণতে পুনৰ উদ্ধাৰ নহয়। সহজ ভাষাত ক'বলৈ হ'লে গতানুগতিকভাৱে এনে সামগ্ৰীৰ প্ৰাপ্তি ঘটাতকৈ কাচিৎ দৈৱক্ৰমেহে সেইবোৰ আৱিস্কৃত হয়।

### ১১.১ বয়-বস্তুৰ গুণানুসৰি শ্ৰেণীভুক্তকৰণ

হস্তনিৰ্মিত সা-সঁজুলি বা বয়-বস্তুৰ পুণৰ উদ্ধাৰকৰণ হৈছে পুৰাতাত্ত্বিক উদ্যমৰ আৰম্ভণি মাত্ৰ। ইয়াৰ পিছতহে পুৰাতত্ত্ববিদসকলে এনে বস্তুবোৰ গুণানুসৰি শ্ৰেণীভুক্তকৰণ। এইক্ষেত্ৰত এটা সহজ নীতি হৈছে সামগ্ৰীসমূহত ব্যৱহৃত উপাদানসমূহ, যেনে— শিল, বোকামাটি, ধাতু, হাড়, হাতীৰ দাঁত আদিৰ শ্ৰেণী বিভাজন। শ্ৰেণীভুক্তকৰণৰ দ্বিতীয়টো ক্ষেপত পুৰাতত্ত্ববিদসকলে বস্তুবোৰৰ কাৰ্যকাৰিতা সম্বন্ধে মতামত দিব লাগে বাবে ই আছিল এক জটিলতৰ ক্ষেপ। হস্তনিৰ্মিত কোনো এবিধ হাতিয়াৰ বা এপদ সোণৰ অলঙ্কাৰ বা উভয় বিধ বস্তু বা আন কিবা সামগ্ৰী কোনো ধৰ্মীয় কাৰ্যত ব্যৱহৃত হৈছিল নেকি সেইটো সঠিকভাৱে নিৰ্ণয় কৰাৰ দায়িত্বও তেওঁলোকৰ ওপৰতেই ন্যস্ত হৈছিল।

বৰ্তমানৰ বয়-বস্তুৰ সৈতে হৰপ্পাত আৱিস্কৃত হস্তনিৰ্মিত বয়-বস্তুসমূহৰ কিবা সামঞ্জস্য আছে নে নাই সেইটো নিৰীক্ষণ কৰিও প্ৰায়ে ইয়াৰ কাৰ্যকাৰিতা নিৰ্ণায়িত হয়। মণি, ভাঁতি, মাটিৰ পাত্ৰ, শিলৰ দা-কুঠাৰ আদিৰ ক্ষেত্ৰত সংঘটিত এনে ৰিজনিয়েই ইয়াৰ জলজল-পটপট প্ৰমাণ। হস্তনিৰ্মিত সামগ্ৰী কোনটো ক'ত ব্যৱহৃত হয় তাৰ পম খেদি পুৰাতত্ত্ববিদসকলে ইয়াৰ প্ৰাসঙ্গিকতা সম্বন্ধেও অনুসন্ধান চলায়। যেনে— ইয়াৰ কাৰ্যকাৰিতা কি, ক'ত পোৱা গৈছে— ঘৰ, নলা, সমাধি নে অগ্নিশালত?

কিছুমান ক্ষেত্ৰত পুৰাতত্ত্ববিদসকলে পৰোক্ষ প্ৰমাণৰো আশ্ৰয় লয়। উদাহৰণস্বৰূপে, হৰপ্পাৰ কোনো কোনো ঠাইত যদিও কঁপাহৰ সন্ধান পোৱা

গৈছে, এইবোৰৰ পৰা কেনে ধৰণৰ বস্ত্ৰ উৎপাদন হৈছিল জানিবলৈ ভাস্কৰ্যৰ চিত্ৰকে ধৰি কিছুমান গৌণ প্ৰমাণৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে।

পুৰাতত্ত্ববিদসকলে কেতিয়াবা আন পুথি, প্ৰবন্ধ, টোকা আদিত থকা উদ্ধৃতি বিন্যাসৰ দ্বাৰা নিবন্ধ ৰচনা কৰিবলগীয়াও হয়। আমি দেখিছো, তেওঁলোকে হৰপ্পাত আৱিস্কৃত প্ৰথমটো চিল-মোহৰৰ আঁতি-গুৰি একো নুবুজিলেও পিছত কেনেকৈ ইয়াৰ প্ৰাপ্তিস্থানৰ ধাৰাবাহিকতা আৰম্ভ হয় সেইটো জানিবলৈ সক্ষম হয়। সেইদৰে মেছ'পটেমিয়াৰ খননত প্ৰাপ্ত সামগ্ৰীৰ সৈতে ৰিজনিৰ দ্বাৰা এটা পটভূমি তৈয়াৰ কৰিবলৈকো তেওঁলোক সমৰ্থ হয়।

## ১১.২ অনুধাৱনৰ সমস্যাসমূহ

পুৰাতাত্ত্বিক অনুধাৱনৰ ক্ষেত্ৰত আটাইতকৈ জটিল সমস্যা হৈছে পুৰণি ধৰ্মীয় ৰীতি-নীতিৰ পুনঃকাৰ্যকৰণ। সাধাৰণতে যিবোৰ বস্তু অসাধাৰণ বা অচিনাকি যেন লাগে, তেনে বস্তুবোৰৰ কিবা ধৰ্মীয় তাৎপৰ্য থাকিব পাৰে বুলি পুৰাতাত্ত্বিকসকলে ভাবিবলৈ লয়। এনে বস্তুবোৰৰ ভিতৰত পোৰা মাটিৰে সজা কিছুমান নাৰীমূৰ্তিও আছে। এনে মূৰ্তিবোৰত বহু আ-অলংকাৰ আৰু শিৰস্ত্ৰাণৰ বাহুল্যকৰণ মন কৰিবলগীয়া। এই নাৰী মূৰ্তিসমূহ মাতৃদেৱীৰ মূৰ্তি বুলি কোৱা হয়। খনন স্থলত কাচিৎ কিছুমান প্ৰায় সমমান বিশিষ্ট ভঙ্গীৰ পুৰুষমূৰ্তিও দেখা যায়। 'পুৰোহিত ৰজা'ৰ দৰে এখন হাত আঠুৰ ওপৰত থৈ বহি থকা এনে মূৰ্তিসমূহ একেদৰে এটা বিশেষ শ্ৰেণীভুক্ত কৰা হৈছে।

অন্যান্য কিছুমান ক্ষেত্ৰত অট্টালিকাসমূহকো ধৰ্মীয় ৰীতি-নীতিৰ বাহক গণ্য কৰাৰ উদাহৰণ আছে। বৃহৎ স্নানাগাৰ, কালিবাগান আৰু লোথাৰৰ অগ্নিবেদী আদিও এই শ্ৰেণীৰ অন্তৰ্গত।

ধৰ্মীয় ৰীতি-নীতিৰ ছবি থকা যেন লগা কিছুমান চিল-মোহৰ পৰীক্ষা-নিৰীক্ষা কৰিও সমকালীন ধৰ্মীয় বিশ্বাস আৰু প্ৰচলিত লোকাচাৰৰ বিষয়ে জানিবলৈ বিচৰা হৈছে। আনহাতে যিবোৰ চিল-মোহৰত গছ-গছনিৰ নক্সা থাকে, সেইবোৰে প্ৰকৃতি পূজাৰ সম্ভেদ দিয়ে। কিন্তু চিল-মোহৰ এক পৃঙ্গী তথা এটা শিং থকা জন্তুবিলাককে ধৰি কিছুমান জীৱ-জন্তুক পৌৰাণিক আখ্যানত বৰ্ণিত মূৰ্তি অবাস্তৱ তথা কাল্পনিক যেন লাগে। কিছুমান চিল-মোহৰত এখন ভৰি আনখনৰ ওপৰত তুলি দি (cross legged) যোগীৰ ভঙ্গীত বহি থকা পুৰুষ মূৰ্তিও আৱিস্কৃত হৈছে। ই নিশ্চয় হিন্দু ধৰ্মৰ অন্যতম প্ৰধান দেৱতা শিৱৰ চাৰিত্ৰিক বৈশিষ্ট্যসম্পন্ন মূৰ্তি। ইয়াৰ বাহিৰে শঙ্খ আকাৰৰ শিলৰ বস্তুসমূহক লিঙ্গ শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হৈছে।

বহুক্ষেত্ৰত হৰপ্পাৰ ধৰ্মীয় পৰম্পৰাৰ সৈতে পৰৱৰ্তী ধৰ্ম এটা সমান্তৰাল গতিত গৈছে বুলি ধৰি লৈ এই সভ্যতাৰ পুণৰ বিন্যাস কৰা হৈছে। ইয়াৰ কাৰণ এয়ে যে পুৰাতত্ত্ববিদসকলে সততে জনাৰ পৰা অজনালৈ আগবাঢ়ে, অৰ্থাৎ তেওঁলোকে বৰ্তমানক ভিত্তি হিচাপে লৈ অতীতলৈ দৃষ্টিপাত নিক্ষেপ কৰে। তথাপি, শিলেৰে তৈয়াৰী জাঁত বা মাটিৰ পাত্ৰৰ ক্ষেত্ৰত ওপৰে ওপৰে কৰা এনেধৰণৰ অনুসন্ধানবোৰ কেতিয়াবা বিশ্বাসযোগ্য যেন লাগিলেও ধৰ্মীয় প্ৰতীকসমূহৰ ক্ষেত্ৰত এনে অধ্যয়নক অধিক ভৱিষ্যকল্পী হোৱাৰ দোষে চুব পাৰে।




*নক্সা ১.২৬*
*এইগৰাকী মাতৃদেৱী হয়নে?*



*নক্সা ১.২৭*
*দেৱতা শিৱৰ চাৰিত্ৰিক বৈশিষ্ট্যসম্পন্ন চিল-মোহৰ*

**লিঙ্গ হ'ল এবিধ ঘঁহি-মাজি মসৃণ কৰা শিল আৰু ইয়াক দেৱতা শিৱৰ প্ৰতীক হিচাপে পূজা কৰা হয়।**

যাদু-মন্ত্ৰ, ৰোগ নিৰাময় আৰু অপাৰ্থিৱ পৃথিৱীৰ সৈতে যোগাযোগৰ ক্ষমতাধাৰী বুলি দাবী কৰা পুৰুষ আৰু মহিলাক শমন বোলা হয়।



*নক্সা ১.২৮*
*পাশখেলৰ গুটি নে লিঙ্গ?*

পুৰাতাত্ত্বিক খননৰ এজন অগ্ৰগণী মেকেই এই শিলবোৰ সম্বন্ধে এনেদৰে মত প্ৰকাশ কৰি গৈছে ঃ


বৈদুৰ্যমণি, সুৰ্যকান্ত মণি, ক্ষীৰ প্ৰস্তৰ আৰু অন্যান্য মসৃণ কৰি লোৱা ক্ষুদ্ৰ ক্ষুদ্ৰ কলডিল বা শঙ্কু আকাৰৰ দুই ইঞ্চিতকৈ কম উচ্চতাৰ বস্তুকেইপদক প্ৰথমে লিঙ্গ বুলি ভবা হৈছিল... আনহাতে, এইবোৰ হয়তো পাশা খেলতো ব্যৱহৃত হ'ব পাৰে...

— আৰ্ণেষ্ট মেকেৰ 'আৰ্লি ইন্দাছ চিভিলিজেছন' (Early Indus Civilisation) শীৰ্ষক ১৯৪৮ত প্ৰকাশিত পুথিৰ পৰা উদ্ধৃত।

আমি এতিয়া শিৱৰ চাৰিত্ৰিক গুণসম্পন্ন প্ৰতিমূৰ্তিলৈ লক্ষ্য কৰোঁহক। খ্ৰীষ্টপূৰ্ব আনুমানিক ১৫০০-১০০০ত ৰচিত ঋক্‌বেদ তথা আটাইতকৈ প্ৰাচীন ধৰ্মপুথিখনত ৰুদ্ৰ নামৰ এজন দেৱতাৰ বিষয়ে উল্লেখ আছে। মন কৰিবলগীয়া যে, প্ৰায় এহেজাৰ খ্ৰীষ্টাব্দত ৰচিত পুৰাণৰ আখ্যানসমূহতো শিৱক ৰুদ্ৰ বুলি কোৱা হৈছে। (চতুৰ্থ অধ্যায়ত দ্ৰষ্টব্য), কিন্তু ঋকবেদত ৰুদ্ৰক শিৱৰ দৰে পশুপতি (সাধাৰণ অৰ্থত পশু আৰু বিশেষ অৰ্থত গৰুৰ অধিপতি নাইবা যোগীৰ ভঙ্গীত বৰ্ণনা কৰা নাই। সহজ ভাষাত, শিৱ সম্বন্ধে থকা এনে বৰ্ণনাৰ সৈতে ঋকবেদৰ শিৱৰ কোনো সামঞ্জস্য দেখা নাযায়। তেন্তে, কোনো কোনো পণ্ডিতে ক'ব দৰে এই প্ৰতিমূৰ্তিটো এজন শমনৰো হ'ব পাৰে নেকি?

যুগ যুগ ধৰি পুৰাতাত্ত্বিক অনুসন্ধানৰ অন্তত কি পোৱা গ'ল বাৰু? হৰপ্পীয় অৰ্থনীতি সম্বন্ধে আমি নিশ্চয় এটা যথেষ্ট ভাল আৰু সুন্দৰ আভাস লাভ কৰিছোঁহক। সামাজিক বৈষম্যতাবোৰো আমি যেন চোকা ধাৰাল অস্ত্ৰৰে আঁচুৰি আনিবলৈ সক্ষম হোৱাৰ উপৰি সমকালীন সভ্যতাৰ গঢ়-গতি কিছু পৰিমাণে হ'লেও গমি-পিটি চাবলৈ সক্ষম হৈছো। সেই স্থানৰ লিপিসমূহৰ পাঠোদ্ধাৰ কৰিব পৰাহেঁতেন আমি যে আৰু কিমান সম্ভেদ পালোহেঁতেন সেই সম্পৰ্কেও সঁচাকৈয়ে আমাৰ স্পষ্ট ধাৰণা নাই। এখন দ্বি-ভাষিক শিলালিপি পোৱা হ'লে হয়তো হৰপ্পাৰ অধিবাসীসকলেনো কি ভাষা কৈছিল, এনেধৰণৰ প্ৰশ্নবোৰক চিৰবিদায় দিব পৰা গ'লহেঁতেন।

হৰপ্পীয় সভ্যতাৰ পুনোৰীক্ষণৰ সৈতে জড়িত বহুবোৰ বিষয় এতিয়াও চালিজাৰি চাবলৈ বাকী। বৃহৎ স্নানাগাৰটো কিবা ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ সৈতে জড়িত নেকি? সেই লোকালয় তথা জনবসতিৰ আক্ষৰিক জ্ঞান কিমানদূৰ সম্প্ৰসাৰিত হৈছিল? হৰপ্পাৰ সমাধিসমূহত নগণ্যভাৱে সামাজিক বৈষম্যতা দৃশ্যমান হোৱাৰ কাৰণ কি? ইয়াৰ বাহিৰে লিঙ্গভিত্তিক কিছুমান প্ৰশ্ন, যেনে— মহিলাসকলে নিজে মাটিৰ পাত্ৰ সাজিছিল নে বৰ্তমানৰ দৰে এইবোৰত কেৱল, ৰং সানিছিল? হস্তশিল্পৰ অন্যান্য কাৰিকৰসকলৰ বিষয়ে আমি কি জানো? পোৰা মাটিৰে তৈয়াৰী নাৰী মূৰ্তিসমূহ কি কামত ব্যৱহৃত হৈছিল?— অতি কমসংখ্যক পণ্ডিতেহে সিন্ধু সভ্যতাৰ সৈতে জড়িত লিঙ্গভিত্তিক বিষয়বোৰ অনুসন্ধান কৰিছে আৰু এই নতুন দিশটোৰ বিষয়ে ভৱিষ্যতৰ অনুসন্ধানকাৰীসকলে কৰিবলগীয়া বহুত আছে।



*নক্সা ১.২৯*
*পোৰা মাটিৰে প্ৰস্তুত গাড়ীৰ চিত্ৰ*

**আলোচনা কৰা...**

পুৰাতাত্ত্বিক সাক্ষ্যৰ ওপৰত ভিত্তি কৰি পুণৰ বিন্যাসত হৰপ্পীয় অৰ্থনীতিৰ দিশসমূহ নিৰ্ণয় কৰা।

## সময়ৰেখা- ১
## প্ৰাচীন ভাৰতীয় পুৰাতত্ত্বৰ প্ৰধান পৰ্যায়সমূহ

| | |
|---|---|
| ২ নিযুত বৰ্ষ পূৰ্বে (2 million BP) | নিম্ন প্ৰত্নপ্ৰস্তৰ |
| ৮০,০০০ | মধ্য প্ৰত্নপ্ৰস্তৰ |
| ৩৫,০০০ | উচ্চ প্ৰত্নপ্ৰস্তৰ |
| ১২,০০০ | মধ্য প্ৰত্নপ্ৰস্তৰ |
| ১০,০০০ | নৱ প্ৰস্তৰ |
| ৬,০০০ | তাম্ৰ (প্ৰথম তামৰ ব্যৱহাৰ) |
| খ্ৰীষ্টপূৰ্ব ২৬০০ (BCE : Befere common era) সাধাৰণ যুগৰ পূৰ্বে | হৰপ্পীয় সভ্যতা |
| খ্ৰীষ্টপূৰ্ব ১০০০ | আদিলৌহ, মহাপাষাণ প্ৰাক্ ঐতিহাসিক আৰু কোনো কোনো আদিম জাতিয়ে সমাধিত স্মৃতিচিহ্ন হিচাপে পোতা বৃহৎ শিলাখণ্ড |
| খ্ৰীষ্টপূৰ্ব ৬০০-৪০০ খ্ৰীষ্টাব্দ (Common era) সাধাৰণ যুগ | প্ৰাক্-ঐতিহাসিক সাধাৰণ যুগ |

**বিশেষ ঃ** আটাইবোৰ চন-তাৰিখ আন্দাজত দিয়া হৈছে। তদুপৰি, মহাদেশখনৰ বিভিন্ন স্থানৰ বিকাশৰ ক্ষেত্ৰতো বহুত পাৰ্থক্য আছে। ওপৰত উল্লেখিত চন-তাৰিখবোৰ দ্বাৰা একোটা পৰ্যায়ৰ আটাইতকৈ প্ৰাচীন সাক্ষ্যৰ বিষয়ে ইঙ্গিত দিয়া হৈছে।

## সময়ৰেখা- ২
## হৰপ্পীয় পুৰাতত্ত্বৰ প্ৰধান বিকাশসমূহ

| | |
|---|---|
| **১৯ শতিকা (Nineteenth Century)** | |
| ১৯৭৫ | হৰপ্পীয় চিল-মোহৰৰ সম্বন্ধে আলেকজেণ্ডাৰ কুনিংহামৰ প্ৰতিবেদন |
| **কুৰি শতিকা (Twentieth Century)** | |
| ১৯২১ | এম এছ ডাটে হৰপ্পাত খনন কাৰ্য আৰম্ভ কৰে |
| ১৯২৫ | মহেনজোদাৰোৰ খনন কাৰ্য আৰম্ভ |
| ১৯৪৬ | আৰ ই এম হুইলাৰৰ হৰপ্পাত খনন কাৰ্য |
| ১৯৫৫ | এছ আৰ ৰাওৰ দ্বাৰা লোথালত খনন |
| ১৯৬০ | বি বি লাল আৰু বি কে থাপাৰৰ কালিবাঙ্গানত খনন |
| ১৯৭৪ | এম আৰ |
| ১৯৮০ | এদল জাৰ্মান আৰু ইটালীয় পুৰাতত্ত্ববিদে মহেনজোদাৰোৰ বৰ্হিপাশ্বত অনুসন্ধান আৰম্ভ কৰে |
| ১৯৮৬ | এদল আমেৰিকানে হৰপ্পাত খনন চলায়। |
| ১৯৯০ | ধোলাভিৰাত আৰ এছ বিষ্ট (RS Bisht)ৰ দ্বাৰা খনন। |



নক্সা ১.৩০
হৰপ্পাত সমাধিস্থ এজন পুৰুষ

## ১০০-১৫০ শব্দৰ ভিতৰত উত্তৰ লিখা

১. হৰপ্পীয় নগৰসমূহৰ লোকৰ খাদ্যসম্ভাৰৰ এখন তালিকা প্ৰস্তুত কৰা। এইবোৰ ৰচদ যোগান দিয়া দলসমূহক চিনাক্ত কৰা।

২. পুৰাতত্ত্ববিদসকলে কিদৰে হৰপ্পীয় সমাজৰ আৰ্থ-সামাজিক বৈষম্যবোৰ বিচাৰি উলিয়াইছিল? এইক্ষেত্ৰত তেওঁলোকে কি কি বৈষম্য লক্ষ্য কৰিছিল?

৩. হৰপ্পীয় নগৰসমূহৰ পয়ঃপ্ৰণালীত নগৰ পৰিকল্পনাৰ আভাস আছিল বোলা মতামতটো তুমি সমৰ্থন কৰানে? এইক্ষেত্ৰত তোমাৰ উত্তৰ যথাৰ্থতা প্ৰমাণ কৰা।

৪. হৰপ্পীয় সভ্যতাত মণি তৈয়াৰ কৰিবলৈ আৱশ্যকীয় সামগ্ৰীৰ তালিকা প্ৰস্তুত কৰা। ইয়াৰ যিকোনো এবিধ মণি প্ৰস্তুতকৰণৰ বৰ্ণনা দিয়া।

৫. ১.৩০ নম্বৰ নক্সাখনত কি কি দেখিছা বৰ্ণনা কৰা। মৃতদেহটো কিদৰে থোৱা হৈছে? ইয়াৰ কাষত কি কি সামগ্ৰী থোৱা হৈছে? মৃতদেহটোত হস্তনিৰ্মিত বস্তু আছেনে? এইবোৰে কঙ্কলটোৰ লিঙ্গ সম্বন্ধে কিবা ইঙ্গিত দিছেনে?

## তলত দিয়া প্ৰশ্নৰ ওপৰত প্ৰায় ৫০০ শব্দৰ এখন ৰচনা লিখা

৬. মহেনজোদাৰোৰ কিছুমান স্বতন্ত্ৰ চাৰিত্ৰিক বৈশিষ্ট্য বৰ্ণনা কৰা।

৭. হৰপ্পীয় সভ্যতাত হস্তশিল্প উৎপাদনৰ বাবে আৱশ্যক কেঁচা সামগ্ৰীৰ তালিকা প্ৰস্তুত কৰা আৰু এইবোৰ কেনেকৈ যোগাৰ কৰা হৈছিল সেই বিষয়ে এটি অনুধাৱনমূলক আলোচনা আগবঢ়োৱা।

৮. পুৰাতত্ত্ববিদসকলে কিদৰে অতীতক পুণৰ নিৰ্মাণ কৰিছিল আলোচনা কৰা।

৯. হৰপ্পীয় সমাজত ৰজাসকলেনো কিধৰণৰ সেৱা আগবঢ়াবলৈ সক্ষম হৈছিল, সেই বিষয়ে এটা আলোচনা আগবঢ়োৱা

## মানচিত্ৰৰ কাম

১০. মানচিত্ৰৰ ১ৰ যিবোৰ ঠাইত কৃষি কাৰ্যৰ প্ৰমাণ পোৱা গৈছে এডাল পেঞ্চিলেৰে সেই স্থানত বৃত্ত আঁকি চিহ্ন দিয়া। যিবিলাক ঠাইত হস্তনিৰ্মিত উৎপাদনৰ প্ৰমাণ আছে সেইবোৰত X আৰু কেঁচা সামগ্ৰী দৃশ্যমান স্থানসমূহত R চিহ্ন দিয়া

## যিকোনো এটা প্ৰকল্প প্ৰস্তুত কৰা

১১. তুমি থকা চহৰখনত কোনো যাদুঘৰ আছে নে নাই বিচাৰি উলিওৱা। ইয়াৰে এটালৈ গৈ যিকোনো দহটা বস্তু কিমান প্ৰাচীন, ক'ত পোৱা গৈছে আৰু সেইবোৰ কি কাৰণে প্ৰদৰ্শন কৰা উচিত বুলি তুমি ভাবা বৰ্ণনা কৰি তোমাৰ অভিমত দাঙি ধৰা।

১২. বৰ্তমান কালৰ শিল, ধাতু আৰু বোকামাটিৰ দ্বাৰা প্ৰস্তুত আৰু ব্যৱহৃত দহটা সামগ্ৰী সংগ্ৰহ কৰি সেইবোৰ এই অধ্যায়ৰ হৰপ্পীয় সভ্যতাৰ চিত্ৰসমূহৰ সৈতে ৰিজাই চাই ইয়াৰ যিবোৰ সাদৃশ্য আৰু বৈসাদৃশ্য চকুত পৰে, আলোচনা কৰা।

**যদি তুমি অধিক কিবা জানিব বিচৰা এই পুথিযোগে পঢ়া ঃ**

Raymond and Bridget Allchin. 1977. Origins of a Civilization. Viking, New Delhi.

G.L. Possehl. 2003. *The Indus Civilization.* Vistaar, New Delhi.

Shereen Ratnagar. 2001. *Understanding Harappa.* Tulika, New Delhi.

**অধিক জানিবলৈ যোগাযোগ কৰা বা নিজে আহা ঃ**

http:/www.harappa.com/har/harres0.html